অধ্যায় ৬ ঃ উত্তৰ-পূব ভাৰতৰ ৰাজ্যসমূহৰ প্ৰধান জনজাতিসমূহৰ মাজত সামাজিক প্ৰতিষ্ঠানসমূহ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ সামাজিক প্ৰতিষ্ঠানৰ অৰ্থ

৬.৪ কিছুমান মৌলিক ধাৰণাৰ সংজ্ঞা - পৰিয়াল, স্বজনতা আৰু বিবাহ

৬.৫ সামাজিক প্ৰতিষ্ঠান হিচাপে ধৰ্ম, অৰ্থ আৰু ৰাজনীতি

৬.৬ জনজাতীয় সম্প্ৰদায়সমূহৰ মাজত সামাজিক প্ৰতিষ্ঠানসমূহৰ প্ৰভাৱ

৬.৭ জনজাতীয় সম্প্ৰদায়সমূহৰ পৰিয়াল, বিবাহ আৰু আত্মীয় সম্পৰ্ক ব্যৱস্থা

৬.৮ জনজাতীয় সম্প্ৰদায়সমূহৰ ধৰ্ম, অৰ্থ আৰু সমাজ ব্যৱস্থা

৬.৯ সামৰণি

৬.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.১১ অধিক জানিবলৈ

৬.১২ অগ্ৰগতি খতিয়ান

৬.১৩ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সামাজিক প্ৰতিষ্ঠান কি বুজিবলৈ সমৰ্থ হ'ব
- কি কি প্ৰকাৰৰ সামাজিক প্ৰতিষ্ঠান আছে তাৰ আলোচনা কৰিব পাৰিব
- জনজাতীয় সামাজিক প্ৰতিষ্ঠানৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- বিভিন্ন প্ৰকাৰৰ জনজাতীয় সামাজিক প্ৰতিষ্ঠানৰ বিষয়ে জানিবলৈ সমৰ্থ হ'ব।

৬.২ পৰিচয়

প্ৰতিষ্ঠা এটা সাধাৰণতে প্ৰতিষ্ঠিত নিয়ম অনুসৰি নাইবা কম পক্ষেও আইন বা প্ৰথাগতভাৱে স্বীকৃত নিয়ম অনুসৰি কাম কৰে। সেই নিয়মসমূহ বিবেচনা নকৰাকৈ প্ৰতিষ্ঠানসমূহৰ নিয়মিত আৰু নীৰৱচ্ছিন্ন কাৰ্য-কলাপ বুজিব পৰা নাযায়। প্ৰতিষ্ঠানসমূহে ব্যক্তিবিশেষৰ ওপৰত বাধা আৰোপ কৰে আৰু তেওঁলোকক বিভিন্ন সা-সুবিধাও প্ৰদান কৰে। এটা প্ৰতিষ্ঠান ইয়াৰ মাজতে সীমাবদ্ধ বুলিও মত প্ৰকাশ কৰিব পাৰি। প্ৰকৃততে মানুহে বিবাহ, পৰিয়াল, আত্মীয় সম্পৰ্ক, ধৰ্ম, অৰ্থ আৰু চৰকাৰ আৰু ৰাষ্ট্ৰ নাইবা শিক্ষাক নিজৰ মাজতে

সীমাবদ্ধ বুলি মত প্ৰকাশ কৰে। এই অধ্যায়টিত আমি উত্তৰ-পূব ভাৰতৰ জনজাতিসমূহৰ মাজত প্ৰচলিত কিছুমান সামাজিক প্ৰতিষ্ঠানৰ বিষয়ে আলোচনা কৰিম।

৬.৩ সামাজিক প্ৰতিষ্ঠানৰ অৰ্থ

সাধাৰণ ভাষা নাইবা সাহিত্যত পাব পৰাকৈ "সামাজিক প্ৰতিষ্ঠান" (social institution) পৰিভাষাটোৰ কোনো স্পষ্ট সূত্ৰ নাই। সামাজিক প্ৰতিষ্ঠানৰ বিভিন্ন প্ৰকাৰৰ ধাৰণা, অৰ্থ আছে। তথাপিও, সাম্প্ৰতিক সমাজবিজ্ঞানীসকলে "সামাজিক প্ৰতিষ্ঠান" পৰিভাষাটো জটিল সামাজিক আকাৰসমূহ বুজাবলৈ ব্যৱহাৰ কৰে যিবিলাকে সময়ে সময়ে চৰকাৰ, পৰিয়াল, মানৰ ভাষা, বিশ্ববিদ্যালয়, চিকিৎসালয়, ব্যৱসায়িক আৰু আইনী ব্যৱস্থাসমূহ পুনৰাবৃত্তি কৰে। জনাথান টাৰ্নাৰে (Jonathan Turner) সামাজিক প্ৰতিষ্ঠানক বৰ্ণনা কৰে- "এটা নিৰ্দিষ্ট পৰিবেশত জীৱন-নিৰ্বাহৰ সংস্থানসমূহৰ উৎপাদন, বংশবৃদ্ধি আৰু প্ৰয়োগসাধ্য সামাজিক গঠন চলাই যোৱাত হোৱা মৌলিক সমস্যাসমূহৰ সম্পৰ্কে এক বিশেষ প্ৰকাৰৰ সামাজিক গঠন আৰু মানৱীয় কাৰ্যৰ তুলনামূলকভাৱে স্থিৰ পদ্ধতিসমূহত স্থাপিত পদ, ভূমিকা, নিয়ম আৰু মূল্যৰ জোট।" ইয়াৰ উপৰি, এণ্টনি গিডেঞ্চে উল্লেখ কৰে যে "সূত্ৰৰ দ্বাৰা প্ৰতিষ্ঠানসমূহ হৈছে সামাজিক জীৱনৰ স্থায়ী বৈশিষ্ট্য।"

প্ৰকাৰ্যবাদৰ মতে সামাজিক প্ৰতিষ্ঠানসমূহক সামাজিক নিয়ম, বিশ্বাস, মূল্য আৰু সম্পৰ্কীয় ভূমিকাৰ এটা জটিল গোট যিটো সমাজৰ প্ৰয়োজনৰ তাগিদাত উদয় হয়। সমাজ এখনত ব্যক্তি এজনৰ সামাজিক প্ৰয়োজনসমূহ সামাজিক প্ৰতিষ্ঠানে পূৰণ কৰে। সেই অনুসৰি (ফলস্বৰূপে) আনুষ্ঠানিক আৰু ঔপচাৰিক দুই ধৰণৰ সামাজিক প্ৰতিষ্ঠান আমি সমাজত দেখিবলৈ পাওঁ। পৰিয়াল আৰু ধৰ্মৰ নিচিনা প্ৰতিষ্ঠানসমূহ হৈছে অনানুষ্ঠনিক সামাজিক প্ৰতিষ্ঠানৰ উদাহৰণ আৰু আইন আৰু শিক্ষা হৈছে আনুষ্ঠানিক সামাজিক প্ৰতিষ্ঠান।

গঠন, কাৰ্য আৰু সংস্কৃতি নামৰ তিনিটা দিশ থাকে কাৰণে সামাজিক প্ৰতিষ্ঠানক বুজিবলৈ সহজ। এটা অনুষ্ঠানৰ এই গঠন, কাৰ্য আৰু সংস্কৃতিয়ে যদিও এটা কাৰ্যপ্ৰণালী প্ৰদান কৰে যাৰ সহায়ত ব্যক্তি এজনে কাম কৰে, সেইবোৰে সম্পূৰ্ণৰূপে ব্যক্তিজনৰ কাৰ্যক নিৰ্ধাৰণ কৰি নিদিয়ে।



অগ্ৰগতি নিৰীক্ষণ

(১) প্ৰতিষ্ঠানসমূহে ব্যক্তিবিশেষৰ ওপৰত ..... আৰু তেওঁলোকক ..... প্ৰদান কৰে।

(২) জনাথান টাৰ্নাৰে (Jonathan Turner) কেনে ধৰণে সামাজিক প্ৰতিষ্ঠানক বৰ্ণনা কৰে?

(৩) এনস্থনি গিডেঞ্চে উল্লেখ কৰে যে সূত্ৰৰ দ্বাৰা প্ৰতিষ্ঠানসমূহ হৈছে সামাজিক জীৱনৰ ....।

(৪) কার্যকাৰিতাবাদীসকলৰ মতে সামাজিক প্ৰতিষ্ঠানৰ অর্থ কি?

(৫) তিনিটা দিশসমূহ কি কি যাৰ দ্বাৰা সামাজিক প্ৰতিষ্ঠান গঠিত?

৬.৪ কিছুমান মৌলিক ধাৰণাৰ সংজ্ঞা - পৰিয়াল, স্বজনতা আৰু বিবাহ

- **পৰিয়ালঃ**

পৰিয়ালক আটাইতকৈ "সহজাত" সামাজিক সত্তা বুলি অভিহিত কৰিব পাৰি। পৰিয়ালৰ বাহিৰে আন কোনো সামাজিক প্ৰতিষ্ঠান বেছি সার্বজনীন আৰু অপৰিবর্তনীয় হোৱা বুলি প্ৰতীয়মান নহয়। বহুতো দশক ধৰি, সমাজতন্ত্ৰ আৰু সমাজ নৃতত্ত্বশাস্ত্ৰ বিভিন্ন সংস্কৃতিৰ অধ্যয়ন সম্পন্ন কৰিছে যিয়ে প্ৰমাণ কৰে যে পৰিয়াল, বিবাহ আৰু স্বজনতা সকলো সমাজৰ কাৰণে গুৰুত্বপূর্ণ; যদিওবা ইবোৰ বিভিন্ন সমাজত চাৰিত্ৰিক ফালৰ পৰা পৃথক হয়। সেই অধ্যয়নে এইটোও আঙুলিয়াই যে পৰিয়াল (ব্যক্তিগত পৰিধি) অর্থনৈতিক, ৰাজনৈতিক, সাংস্কৃতিক আৰু শৈক্ষিক (সামাজিক) পৰিধিৰ লগত সংযোগ হৈ আছে। কার্যপ্ৰবাদীসকলৰ মতে পৰিয়ালে গুৰুত্বপূর্ণ কামসমূহ সম্পাদন কৰে আৰু সমাজৰ মৌলিক প্ৰয়োজনসমূহ আগবঢ়ায় আৰু সমাজিক শৃঙ্খলা ধৰি ৰখাত সহায় কৰে।

একত্ৰ পৰিয়ালৰ পৰা যৌথ পৰিয়াললৈ পৰিবর্তনৰ বিষয়ে ভাৰতত এক কেন্দ্ৰীয় তর্ক আছে। একত্ৰ পৰিয়াল ভাৰতত সদায় দেখা যায় বিশেষকৈ বঞ্চিত জাতি আৰু শ্ৰেণীৰ মানুহৰ মাজত। সমাজতত্ত্ববিদ এ.এম. শ্বাহে মন্তব্য কৰে যে স্বাধীনোত্তৰ কালছোৱাত যৌথ পৰিয়ালৰ সংখ্যা লাহে লাহে বৃদ্ধি পাইছে। তেওঁৰ মতে ইয়াত বৰঙণি যোগোৱা কাৰকটো হৈছে যে ভাৰতত মানুহৰ আয়ুস বাঢ়িছে। যি কি নহওঁক, অধ্যয়নত এইটো কথাও পোহৰলৈ আহিছে যে বিভিন্ন সমাজত বেলেগ বেলেগ আকাৰৰ পৰিয়াল পোৱা যায়। বাস কৰা নিয়ম অনুসৰি কিছুমান সমাজ তেওঁলোকৰ বিবাহ আৰু পৰিয়ালৰ প্ৰথা হিচাপে মাতৃপ্ৰধান আৰু কিছুমান সমাজ পিতৃপ্ৰধান। মাতৃপ্ৰধান সমাজৰ ক্ষেত্ৰত, নতুনকৈ বিয়া হোৱা দম্পত্তি মহিলাগৰাকীৰ পিতৃ-মাতৃৰ লগত থাকে আৰু পিতৃপ্ৰধান সমাজত দম্পত্তিযোৰা মানুহজনৰ পৰিয়ালৰ লগত থাকে। পিতৃপ্ৰধান সমাজত মানুহজনে কর্তৃত্ব আৰু প্ৰাধান্য দেখুৱাই আৰু মাতৃপ্ৰধান সমাজত মহিলাগৰাকীয়ে পৰিয়ালত সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত প্ৰধান ভূমিকা লয়। মাতৃবংশীয় সমাজ দেখিবলৈ পোৱা যায় কিন্তু একেটা কথা মাতৃপ্ৰধান সমাজৰ বিষয়ে দাবী কৰিব নোৱাৰি। যদিওবা পৰিয়ালসমূহ অইন পৰিধিৰ পৰা যেনেকৈ অর্থনৈতিক আৰু ৰাজনৈতিক; স্বতন্ত্ৰ আৰু পৃথক বুলি বিবেচনা কৰা হয়। যি কি নহওঁক, সূক্ষ্মভাৱে বিচাৰ কৰি চালে প্ৰমাণ কৰিব যে পৰিয়ালৰ গঠন আৰু নিয়মসমূহ সমাজৰ আন আন কথাবোৰৰ লগত সাঙোৰ খাই আছে।



অগ্ৰগতি নিৰীক্ষণ

(৬) পৰিয়ালক আটাইতকৈ ..... সামাজিক সত্তা বুলি অভিহিত কৰিব পাৰি।

(৭) ..... সকলৰ মতে পৰিয়ালে কি কৰে?

(৮) এ.এম. শ্বাহৰ মতে স্বাধীনোত্তৰ কালছোৱাত যৌথ পৰিয়ালৰ সংখ্যা বৃদ্ধি হোৱাৰ কাৰণ কি?

(৯) পিতৃপ্ৰধান আৰু মাতৃপ্ৰধান পৰিয়ালৰ সংজ্ঞা দিয়ক।

- **বিবাহৰ প্ৰতিষ্ঠান ঃ**

বিভিন্ন সমাজত বহুল পৰিমাণৰ পৃথক আকাৰৰ বিবাহ থকা দেখা যায় আৰু বিবাহে ভিন্ন কার্য্য সম্পাদন কৰাও দেখা যায়। প্ৰকৃতার্থত বিবাহৰ পদ্ধতিটোয়ে আশ্চর্যজনক পৃথক পৃথক প্ৰথা আৰু ৰীতি-নীতি উদঙাই দেখুৱায়।

বিবাহৰ বিভিন্ন প্ৰকাৰৰ আকাৰ থকা দেখা যায়। এই আকাৰসমূহ সঙ্গীৰ সংখ্যা আৰু নীতি-নিয়ম যেনে—কোনে কাক বিয়া কৰাব পাৰে তাৰ ওপৰত ভিত্তি কৰি নিৰূপণ কৰিব পৰা যায়। সংঙ্গীৰ সংখ্যাৰ ক্ষেত্ৰত কোনে বৈধভাৱে বিবাহপাশত আবদ্ধ হ'ব পাৰে, একবিবাহ আৰু বহুবিবাহ নামৰ দুই প্ৰকাৰৰ বিবাহ আছে। একবিবাহে যিকোনো ব্যক্তি এজনক এসময়ত এজন সংঙ্গীৰ মাজতে সীমাবদ্ধ কৰি ৰাখে; আনহাতে বহুবিবাহ প্ৰথাত এজন ব্যক্তিৰ এজনতকৈ বেছি সঙ্গী থাকিব পাৰে। য'ত বহুবিবাহৰ অনুমতি আছে তাতো, বাস্তৱিক ক্ষেত্ৰত, একবিবাহহে বেছি ব্যাপকভাৱে প্ৰাধান্য পায়। বহুতো সমাজত, ব্যক্তি এজনক তেওঁৰ পতি নাইবা পত্নীৰ মৃত্যুৰ পিছত নাইবা নিজৰ পতি নাইবা পত্নীৰ লগত বিচ্ছেদ হোৱাৰ পিছত আকৌ বিবাহপাশত আৱদ্ধ হ'বলৈ অনুমতি দিয়া হয়। এনেকুৱা একগামী বিবাহ পদ্ধতিক ধাৰাবাহিক একবিবাহ বুলি অভিহিত কৰিব পাৰি।

সকলোবিলাক সমাজত বিবাহৰ সঙ্গীক বাছনি কৰাৰ নিয়ম পৃথক পৃথক হয়। কিছুমান সমাজত পছন্দটো পিতৃ-মাতৃয়ে নাইবা সম্পর্কীয় মানুহে কৰে। আকৌ কিছুমান সমাজত ল'ৰা-ছোৱালী নিজৰ পছন্দ মতে বিবাহৰ সঙ্গীক বাছি লোৱাৰ কাৰণে স্বাধীন থাকে। কিছুমান সমাজৰ সূক্ষ্ম সীমাবদ্ধতা থাকে। আকৌ কিছুমান সমাজৰ বিবাহৰ সম্পর্কে অতি কঠোৰ আৰু বিশদভাৱে বর্ণিত নিয়ম বন্ধা থাকে। যিবিলাক নিয়মৰ দ্বাৰা সঙ্গীৰ উপযুক্ততা-অনুপযুক্ততা বিচাৰ কৰা হয়, তাৰ ওপৰত ভিত্তি কৰি বিবাহৰ আকাৰক অন্তর্বিবাহ আৰু অসবর্ণ বিবাহ বুলি শ্রেণীবিভাজন কৰা হয়। অন্তর্বিবাহত ব্যক্তি এজনে এটা নির্দিষ্ট সাংস্কৃতিক গোট যাৰ তেওঁ এজন সদস্য তাৰ ভিতৰত বিবাহ কৰিব লাগে। উদাহৰণস্বৰূপে, নিজা জাতিৰ মাজত। অসবর্ণ বিবাহত ব্যক্তি এজনে তেওঁলোকৰ নিজা গোটৰ বাহিৰত বিয়া কৰিব লাগে। অন্তর্বিবাহ আৰু

অসবর্ণ বিবাহ কিছুমান বিশেষ সম্পর্কীয় গোটৰ প্রসঙ্গত যেনে- বংশ, জাতি, পৌত্তলিক নাইবা ধর্মীয় গোট। উত্তৰ ভাৰতৰ কিছু বিশেষ অংশৰ কিছুমান গাওঁত অসবর্ণ বিবাহ পালন কৰা হয়। গাওঁৰ বাহিৰত বিবাহৰ পদ্ধতিটো প্রধানত পালন কৰা হয় ছোৱালীক গাওঁৰ বাহিৰত বিয়া দিবৰ কাৰণে এনেকুৱা গাওঁ বাছি লোৱা হয় যি তেওঁৰ গাওঁৰ পৰা বহু দূৰত। এইটো বিশ্বাস কৰা হয় যে এনেকুৱা ধৰণৰ পদ্ধতিয়ে কইনাগৰাকীৰ কাৰণে নিজৰ ঘৰৰ পৰা অনায়াসে শহুৰৰ ঘৰলৈ স্থানান্তৰ কৰিব পাৰিব আৰু তেওঁ নিজৰ নতুন ঘৰত নিজৰ কোনো সম্পর্কীয় মানুহৰ বাধা নোহোৱাকৈ খাপ খাই ল'ব পাৰিব।



অগ্রগতি নিৰীক্ষণ

(১০) প্রকৃতার্থত বিবাহৰ পদ্ধতিটোয়ে আশ্চর্যজনক পৃথক পৃথক ..... আৰু .....


(১১) একবিবাহ আৰু বহুবিবাহ বর্ণনা কৰক।

(১২) ধাৰাবাহিক একগামি বিবাহ কি?

(১৩) অন্তর্বিবাহ আৰু অসবর্ণ বিবাহ কিছুমান বিশেষ ..... প্রসঙ্গত যেনে- ....., জাতি নাইবা জাতিগত, ... নাইবা ধর্মীয় গোট।

স্বজনতা ঃ

পৰিয়াল হৈছে আত্মিক সম্পর্কৰ যোগসূত্রেৰে বান্ধ খাই থকা কিছুমান মানুহৰ সমষ্টি। স্বজনতা হৈছে মানুহৰ মাজত গঢ় লৈ উঠা সম্বন্ধ নাইবা সম্পর্ক যিটো বিবাহ নাইবা বংশসূত্রে স্থাপিত হয়। বিবাহৰ প্রতিষ্ঠানটো হৈছে সামাজিকভাৱে স্বীকৃত প্রতিষ্ঠান আৰু মানুহৰ মাজত যেতিয়া বিবাহৰ সম্পর্ক স্থাপন হয় তেতিয়া দুয়োখন ঘৰৰ পৰিয়ালৰ মানুহবিলাক ইজনে সিজনৰ সম্পর্কীয় হৈ পৰে। বিবাহৰ বন্ধনে এক বিশাল পৰিধিৰ মানুহকো একগোট কৰে। বিবাহৰ বন্ধনৰ মাজেৰে মাক-দেউতাক, ভাই-ভনী আৰু আন সম্পর্কীয় মানুহবোৰ নিজৰ সঙ্গীৰ সম্পর্কীয় মানুহ হৈ পৰে। জন্মসূত্রে যিটো পৰিয়াল হয় তাক **আধাৰ পৰিয়াল** আৰু যি পৰিয়ালত এজন ব্যক্তিৰ বিয়া হয় তাক **'কন্‌চেংগুইলে কিন'** বুলি কোৱা হয়। ৰক্তৰ সূত্রে সম্পর্ক স্থাপন হোৱা সম্পর্কীয় মানুহবিলাকক গোত্রৰ সম্পর্কীয় বুলি কোৱা হয় আৰু বিবাহৰ সূত্রে সম্বন্ধ স্থাপন হোৱা সম্পর্কীয় মানুহবিলাকক এফিনছ বুলি কোৱা হয়। আমি এই অধ্যায়ৰ পিছৰ ভাগলৈ আগবাঢ়ি যোৱাৰ লগে লগে আপুনি লক্ষ্য কৰিব যে কেনেকৈ পৰিয়াল আৰু আর্থিক জীৱন একেবাৰে নিগূঢ়ভাৱে এটাই আনটোৰ লগত সাঙোৰ খাই আছে।



অগ্ৰগতি খতিয়ান

(১৪) পৰিয়াল হৈছে .....বান্ধ খাই থকা কিছুমান মানুহৰ সমষ্টি।

(১৫) আত্মীয় সম্পৰ্কৰ যোগসূত্ৰ বৰ্ণনা কৰক।

(১৬) জন্মসূত্ৰে যিটো পৰিয়াল হয় তাক ..... আৰু যি পৰিয়ালত এজন ব্যক্তিৰ বিয়া হয় তাক ..... বুলি কোৱা হয়।

(১৭) তেজ আৰু বিবাহৰ সূত্ৰে সম্পৰ্কীয় মানুহবিলাকক কি বুলি অভিহিত কৰা হয়?

৬.৫ সামাজিক প্ৰতিষ্ঠান হিচাপে ধৰ্ম, অৰ্থ আৰু ৰাজনীতি

ধৰ্ম ঃ

যুগ যুগ ধৰি ধৰ্মৰ সামাজিক প্ৰতিষ্ঠানটো অধ্যয়ন আৰু চিন্তাৰ বিষয় হৈ আহিছে। এটা পৰ্যায়ৰ প্ৰভাৱ গঠন কৰাৰ সৈতে ধৰ্মৰ নিয়ম কানুনবিলাকে সামাজিক বুজা-পৰা নিৰ্ধাৰণ কৰে। সমাজতত্ত্ববিদসকলে কৰা প্ৰায়োগিক অধ্যয়নৰ দ্বাৰা বিচাৰ কৰে যে কেনেকৈ প্ৰকৃতাৰ্থত ধৰ্মই সমাজত কাম কৰে আৰু আন সামাজিক প্ৰতিষ্ঠানসমূহৰ লগত ইয়াৰ সম্পৰ্ক কি জানিবৰ বাবে এটা তুলনামূলক পদ্ধতি ব্যৱহাৰো কৰে। ইয়াৰ উপৰি ই ধৰ্মীয় বিশ্বাস, অনুশীলন আৰু প্ৰতিষ্ঠানসমূহৰ সমাজ আৰু সংস্কৃতিৰ আন আন বিষয়ৰ লগত সংগতিৰ পৰীক্ষা কৰে। প্ৰায়োগিক পদ্ধতিয়ে বুজায় যে সমাজতত্ত্ববিদসকলে ধৰ্মীয় ঘটনাসমূহৰ বিচাৰমূলক স্থিতি নলয়। তুলনামূলক পদ্ধতি বৰ গুৰুত্বপূৰ্ণ কাৰণ ই সকলো সমাজক এখনক আনখনৰ সৈতে সমপৰ্যায়লৈ লৈ কোনো ধৰণৰ পক্ষপাত নোহোৱাকৈ অধ্যয়ন কৰাত সহায় কৰে। সমাজতাত্ত্বিক দিশে বুজাই যে ধৰ্মীয় জীৱনক ঘৰুৱা জীৱন, আৰ্থিক জীৱন আৰু ৰাজনৈতিক জীৱনৰ লগত জড়িত কৰিহে বোধগম্য কৰিব পৰা যাব পাৰে।

ধৰ্ম সকলোবোৰ সমাজত অৱস্থান কৰি আছে; তথাপি ধৰ্মীয় বিশ্বাস আৰু অনুশীলন সংস্কৃতি অনুসৰি ভিন্ন। সকলোবোৰ ধৰ্মৰে কিছুমান বিশেষ বৈশিষ্ট্য আছে যেনে প্ৰতীক, ধৰ্মীয় ক্ৰিয়া-কলাপ নাইবা উৎসৱ-পাৰ্বন ইত্যাদি। ধৰ্মৰ লগত জড়িত ক্ৰিয়া-কলাপ ভিন্ন হয়। কিন্তু সকলো ধৰ্মই ধৰ্ম বিশ্বাসী মানুহে সমজুৱাকৈ পালন কৰা উৎসৱ-পাৰ্বন অন্তৰ্ভুক্ত কৰে। নিয়মিত উৎসৱ-পাৰ্বন সাধাৰণতে বিশেষ ঠাইত পালন কৰা হয়, যেনে, গীৰ্জা, মছজিদ, মন্দিৰ, গুৰুদ্বাৰ আদি।

সমাজতাত্ত্বিক দিশৰ পৰা যেতিয়া ধৰ্মক অধ্যয়ন কৰা হয়, ধৰ্মৰ আন সামাজিক প্ৰতিষ্ঠানসমূহৰ সৈতে থকা সম্পৰ্কৰ বিষয়েও চিন্তা কৰিব পাৰি। ৰাজনীতি আৰু ক্ষমতাৰ

সৈতে ধর্মৰ এটা অতি নিকট সম্পর্ক আছে। উদাহৰণস্বৰূপে, আগতে সামাজিক পৰিবর্তনৰ কাৰণে ধর্মীয় আন্দোলন গঢ়ি উঠিছিল যেনে, বিভিন্ন জাতিভেদ প্রথা বিৰোধী আন্দোলন নাইবা লিংগ বৈষম্য বিৰোধী আন্দোলন। ব্যক্তিগত বিশ্বাসৰ বিষয় হোৱাৰ সৈতে, ধর্মই ব্যক্তি এজনৰ ৰাজহুৱা চৰিত্রৰ এটা গুৰুত্বপূর্ণ অংশ গঠনো কৰে। ধর্মৰ এই চৰিত্রই সমাজৰ আন প্রতিষ্ঠানসমূহৰ ওপৰত এটা গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে।

- **ৰাজহুৱা মুখী অর্থনৈতিক ব্যৱস্থা আৰু ৰাষ্ট্র**

ৰাজনীতি এক গুৰুত্বপূর্ণ সামাজিক প্রতিষ্ঠান হিচাপে কাম কৰে। ৰাজনৈতিক প্রতিষ্ঠানসমূহে সমাজত ক্ষমতাৰ বিতৰণৰ সৈতে জড়িত। যেতিয়া ৰাজনৈতিক প্রতিষ্ঠানসমূহৰ বিশ্লেষণ কৰা হয় তেতিয়া ক্ষমতা আৰু কর্তৃত্ব সবাতোকৈ গুৰুত্বপূর্ণ দিশ। ক্ষমতা হৈছে সেইটো যেতিয়া কোনোবাই কিবা এটা কার্য আনে বিৰোধ কৰা সত্বেও সম্পাদন কৰিব পাৰে। ক্ষমতা নিসঙ্গভাৱে ব্যৱহাৰ কৰিব পৰা নাযায়, ইয়াক আনৰ লগত সম্বন্ধ ৰাখিহে ব্যৱহাৰ কৰিব পৰা যায়। বেছিভাগ ক্ষেত্রতে ক্ষমতাৰ ব্যৱহাৰ কর্তৃত্বৰ মাজেৰেহে কৰা হয়। কর্তৃত্ব হৈছে ক্ষমতাৰ স্থাপিত(প্রতিষ্ঠানিক) আৰু বৈধ আকাৰ।

সামাজিক প্রতিষ্ঠান হিচাপে অর্থব্যৱস্থাই উৎপাদন, খৰচ আৰু বিতৰণৰ গোটেই প্রক্রিয়াটোকে চোৱা-চিতা কৰে। এখন সমাজৰ নাইবা সংস্কৃতিৰ ভিতৰৰ সুপ্রতিষ্ঠিত গঠন নাইবা ব্যৱস্থা বুলি অর্থনৈতিক প্রতিষ্ঠানসমূহক অভিহিত কৰিব পাৰি। উদাহৰণস্বৰূপে, সম্পত্তিৰ অধিকাৰৰ কাৰণে বিশেষ পদ্ধতি, প্রথাগত উপহাৰ দিয়া ইত্যাদি। এটা সম্প্রদায়ৰ জীৱনধাৰণৰ প্রয়োজনসমূহ যোগান ধৰে বুলি অর্থনৈতিক প্রতিষ্ঠানসমূহে। এইদৰে, পৃথক পৃথক সমাজৰ ভিন্ন আকাৰৰ (গঠনৰ) অর্থনৈতিক প্রতিষ্ঠান আছে যিয়ে বস্তু আৰু সেৱাৰ উৎপাদন প্রক্রিয়া হিচাপে কাম কৰে আৰু ইয়াৰ চোৱা-চিতা কৰে। প্রতিষ্ঠান হিচাপে অর্থনৈতিক ব্যৱস্থাৰ সদায় পৰিবর্তন হৈ থাকে।



অগ্রগতি নিৰীক্ষণ

(১৮) সকলোবোৰ ধর্মৰে কিছুমান বিশেষ বৈশিষ্ট্য আছে যেনে .....; ধর্মীয় বিশ্বাসৰ এটা ..... ইত্যাদি।

(১৯) ..... আৰু ..... সৈতে ধর্মৰ এটা অতি নিকট সম্পর্ক আছে।

(২০) ৰাজনৈতিক প্রতিষ্ঠানসমূহে সমাজত ..... বিতৰণৰ সৈতে জড়িত।

(২১) যেতিয়া ৰাজনৈতিক প্ৰতিষ্ঠানসমূহৰ বিশ্লেষণ কৰা হয় তেতিয়া কোন দুটা বিষয় মনত ৰাখিব লাগে?

(২২) অৰ্থনৈতিক প্ৰতিষ্ঠানৰ বৰ্ণনা কৰক।

(২৩) এটা সম্প্ৰদায়ৰ ..... যোগান ধৰে অৰ্থনৈতিক প্ৰতিষ্ঠানসমূহে।

৬.৬ জনজাতীয় সম্প্ৰদায়সমূহৰ মাজত সামাজিক প্ৰতিষ্ঠানসমূহৰ প্ৰভাৱ

২০০১ চনৰ লোকপিয়ল মতে ভাৰতৰ মুঠ জনসংখ্যাৰ ৮.২% হৈছে জনজাতীয় মানুহ। তাৰ মানে ৮৫ নিযুত। ভাৰতত জনজাতীয় লোকসকলক তেওঁলোকৰ স্থায়ী আৰু আৰ্জি লোৱা চৰিত্ৰ (বৈশিষ্ট্য) হিচাপে শ্ৰেণীবিভাজন কৰা হৈছে। ইয়াৰ উপৰি, আকাৰৰ ফালৰ পৰা, জনজাতিসমূহ ৭ নিযুতৰ পৰা আৰম্ভ কৰি ১০০ জনতকৈও কম জনসংখ্যা (আন্দামান আৰু নিকোবৰ দীপপুঞ্জত) ৰ আছে। আটাইতকৈ ডাঙৰ জনজাতিসমূহ হৈছে গোন্দ, ভিল, ছান্থাল, উৰান, মিনা, বড়ো, আৰু মুণ্ডা।

ছাহলিনে জনজাতিক বৰ্ণনা কৰে, "বিভিন্ন অংশ একেলগ হোৱা এটা সংঘ। কেইটামান সমপৰ্য্যায়ৰ, অনিৰ্ধাৰিত বহুপৰিয়ালৰ গোটৰ দ্বাৰা ই গঠিত য'ত প্ৰত্যেকটো পৰিয়াল ইটো আনটোৰ হুবহু নকলঃ জনজাতি এটা হৈছে সমপৰ্য্যায়ৰ সম্পৰ্কীয় মানুহৰ সংযোজিত গোটৰ স্তুপ।" আন্দ্ৰে বেটিলিৰ মতে, জনজাতি এটাৰ সৰ্বোৎকৃষ্ট হ'ব বৰ্ণনা কৰা যাব পাৰে যে বিভিন্ন অংশ সংযোজিত হোৱা এটা পদ্ধতি য'ত এটা বিশেষ প্ৰকাৰৰ বংশৰ পদ্ধতি আৰু বংশীয় গঠনৰ অস্তিত্ব বিৰাজ কৰে, যিটো অধিকভাৱে বয়সীয়ালসকলৰ মাজত সম্পূৰ্ণভাৱে বিকাশ লাভ কৰিছে, যি কি নহওঁক উপ-ছাহাৰা আফ্ৰিকা আৰু বাহিৰৰ ঠাইতো এনেকুৱা জনজাতি দেখা যায়। ইয়াৰ উপৰি, মৰগানে জনজাতীয় সমাজৰ কেৱলমাত্ৰ সামাজিক প্ৰতিষ্ঠান লক্ষ্য কৰিছিল, কোনো ৰাজনৈতিক প্ৰতিষ্ঠান তেওঁ লক্ষ্য কৰা নাছিল। জনজাতীয় সমাজসমূহ (সম্প্ৰদায়সমূহ) আৰু ৰাষ্ট্ৰই সহঅৱস্থান কৰিছে আৰু অতি পুৰণি কালৰে পৰা পৰিপূৰক সম্পৰ্ক বৰ্তাই ৰাখিছে।

সাধাৰণতে, জনজাতীয় সম্প্ৰদায়সমূহ পৰিমাণত সৰু থাকে আৰু তেওঁলোক এটা নৈতিক, ধৰ্মীয়, ন্যায়িক আৰু ৰাজনৈতিক সম্পৰ্কৰ এটা ভৌগোলিক আৰু সময়ৰ সীমাৰ ভিতৰত তেওঁলোক সীমাবদ্ধ। ইয়াৰ উপৰি, জনজাতীয় সমাজে উল্লেখনীয় অৰ্থব্যৱস্থা দেখুৱাই আৰু আত্মনিৰ্ভৰশীল হোৱাৰ দৃঢ়তা আছে। এই আত্মনিৰ্ভৰশীলতা ওচৰা-ওচৰি সংযোগ আৰু কেতিয়াবা একপক্ষীয় সংযোগ যিটো জনজাতীয় প্ৰতিষ্ঠানসমূহত আছে তাৰ দ্বাৰা লাভ কৰিছে। জনজাতীয় সমাজসমূহৰ বেছিভাগ অতি নিজস্বতাকেন্দ্ৰিক।

বৰ্তমান ৰাষ্ট্ৰৰ কাৰণে শাসন প্ৰণালীয়েই হৈছে আটাইতকৈ গুৰুত্বপূৰ্ণ কথা। যদিওবা বিভিন্নজনৰ মতে শাসন প্ৰণালীৰ ধাৰণা ভিন্ন, ইয়াৰ এটা সৰ্বজনগ্ৰাহ্য অৰ্থ হৈছে যে ই এটা সিদ্ধান্ত গঠন প্ৰক্ৰিয়া আৰু সেই সিদ্ধান্তসমূহ কাৰ্যকৰী কৰা প্ৰক্ৰিয়াও। শাসন প্ৰণালীৰ নিৰ্ভুল কাৰ্যপ্ৰণালীৰ কাৰণে বিভিন্ন পদ্ধতি জড়িত থাকে যিটো প্ৰতিষ্ঠানিক আৰু অপ্ৰতিষ্ঠানিক দুয়ো ধৰণৰ কাৰ্যকৰ্তা নিয়োগ কৰে। যেনেকৈ, জনজাতীয় সম্প্ৰদায়সমূহৰ পৰম্পৰাগত সামাজিক প্ৰতিষ্ঠানসমূহে শাসন প্ৰণালীৰ এই বিষয়সমূহত স্থানীয় পদ্ধতিসমূহৰ ব্যৱহাৰ কৰে।

উত্তৰ-পূব ভাৰত এক বিশাল সংখ্যক জাতিগত গোষ্ঠীৰ ঘৰ বুলি কোৱা হয়। এই গোষ্ঠীসমূহ, বিভিন্ন জাতিগত মূলৰ অন্তৰ্গত, বিভিন্ন সময়ত বিভিন্ন দিশৰ পৰা আহিছিল। এইদৰে, তেওঁলোকে তেওঁলোকৰ সৈতে বৈচিত্ৰ্যময় সামাজিক আৰু সাংস্কৃতিক ব্যৱস্থা কঢ়িয়াই লৈ আহিছিল।



অগ্ৰগতি নিৰীক্ষণ

(২৪) ছাহলিনে দিয়া জনজাতি এটাৰ বৰ্ণনা কি?

(২৫) কোনে জনজাতিক ছেগমেনটাৰি পদ্ধতি বুলি বৰ্ণনা কৰিছিল?

(২৬)জনজাতীয় সমাজসমূহৰ বেছিভাগ ৰৰকৈ .....।

৬.৭ জনজাতীয় সম্প্ৰদায়সমূহৰ পৰিয়াল, বিবাহ আৰু আত্মীয় সম্পৰ্ক ব্যৱস্থা

উত্তৰ পূব ভাৰতৰ জনজাতিসমূহ মনোগ্ৰাহী ধৰ্মীয় ৰীতি-নীতি আৰু প্ৰথাৰে উপচি আছে। সেইদৰে, এই ৰাজ্যসমূহৰ জনজাতিসমূহৰ বিবাহৰ ৰীতি-নীতি আৰু সাংস্কৃতিক বিচিত্ৰতা পৰিলক্ষিত হয়। ডেভিদ মেনদেলবউমে আঙুলিয়াই দেখুৱায় যে জনজাতীয় সমাজত স্বজনতাৰ সম্পৰ্কৰ দ্বাৰা মুখ্য সংযোগ স্থাপন হয়। স্বজনতা এটা সামাজিক গোষ্ঠীৰ নীতি নহয়; ই উত্তৰাধিকাৰ, শ্ৰমবিভাজন আৰু ক্ষমতা আৰু সুবিধাসমূহৰ বিতৰণৰো নীতি। বেছিভাগ জনজাতীয় সমাজে তেওঁলোকৰ সামাজিক সম্পৰ্কৰ লগত সংগতি ৰাখি নৈতিকতা, ধৰ্ম আৰু পৃথিৱীৰ ওপৰত মত পোষণ কৰে

মেঘালয় ৰাজ্যখন তিনিটা মাতৃতান্ত্ৰিক জনজাতিৰ আবাস ভূমি। সেইয়া হৈছে খাচী, জয়ন্তীয়া আৰু গাৰো। এই তিনিটাই হৈছে ৰাজ্যখনৰ মূল বাসিন্দাসকলৰ মাজৰ প্ৰধান জাতিগত গোষ্ঠী। বাৰ্চৰ মতে, খাচী হৈছে এটা পৰিভাষা (নাম) যিটো খাচী আৰু জয়ন্তীয়া পাহাৰৰ আশে-পাশে বাস কৰা বিভিন্ন জনজাতি আৰু উপ-জনজাতিক দিয়া হৈছে। খাচীসকলক আৰু চাৰিটা উপজাতিত বিভক্ত কৰা হৈছে। খাচীসকল হৈছে মাতৃস্থানীয়। খাচী জনজাতিসমূহৰ মাজত, দৰাই কইনাৰ ঘৰত থাকে আৰু কইনা বা পত্নীক কামত সহায় কৰে। পৰিয়ালত থকা

আটাইতকৈ সৰু ছোৱালীজনী সম্পত্তিৰ অধিকাৰী হয় যাক কা খাদুহ বুলিও কোৱা হয়। খাচী আৰু জয়ন্তীয়া, দুয়োটা জনজাতিৰ মাজত পাইকাম নামৰ এক প্ৰথাৰ প্ৰচলন আছে, ই হ'ল ইচ্ছাপত্ৰৰ জৰিয়তে উত্তৰাধিকাৰ লাভ কৰাৰ সমাৰ্থক প্ৰথা। খাচী পৰিয়াল এটাত মাকৰ ভায়েকে বংশানুক্ৰমিক পৰিয়ালত কৰ্তৃত্বমূলক স্থান অধিকাৰ কৰে।

মেঘালয়ত খাচী জনজাতিৰ মাজত বিবাহ পদ্ধতিও প্ৰত্যেকটো ক্ষেত্ৰত অনন্য। এটা আনুষ্ঠানিক চুক্তিৰ পিছতহে বিবাহৰ কাৰ্য্য সম্পাদন কৰা হয় আৰু ই কইনাৰ ঘৰত পতা হয়। তামোলৰ মোনাৰ মাজত আঙঠি বিনিময় কৰা হয়। বিবাহৰ পিছত, দৰাজন কইনাৰ ঘৰলৈ স্থানান্তৰিত হয় যিটো কইনাৰ বংশানুক্ৰমিক ঘৰ। পৰিয়ালত সম্পত্তি আৰু টকাৰ প্ৰধান (মুখ্য) অধিকাৰী তিৰোতা বুলি বিবেচনা কৰা হয়। দম্পত্তিযোৰা কইনাৰ মাকৰ নামত তেওঁলোকৰ উপাধি গ্ৰহণ কৰে। যেতিয়া খাচী মাতৃবংশৰ ধাৰণাৰ পৰীক্ষা কৰাৰ চেষ্টা কৰা হয়, খাচী সমাজত প্ৰচলিত হৈ থকা কিছুমান বিশেষ সামাজিক অৱস্থাও বুজি লোৱাটো গুৰুত্বপূৰ্ণ, যিবিলাক কাম-কাজ সমাজখনে পৰম্পৰাগতভাৱে আৰু সাৰ্বজনীনভাৱে অনুসৰণ কৰি আহিছে। খাচীসকলে বংশ, বসতি আৰু উত্তৰাধিকাৰৰ মাতৃবংশীয় নীতি অনুসৰণ কৰে, যাৰ মতে সন্তান হৈছে মাকৰ জন্ম অধিকাৰ। সন্তানে মাকৰ সামাজিক গোটৰ পৰিচয় লাভ কৰে। মাতৃবংশীয় নীতিৰ আধাৰত সমাজত আটাইতকৈ বিশাল ভাগ হৈছে 'কুৰ' নাইবা উপজাতি। 'কুৰ' এটা হৈছে অসবৰ্ণ বিবাহৰ গোট আৰু একে উপজাতিৰ প্ৰত্যেকেই প্ৰত্যেকৰ আত্মীয়। সেইদৰে, একেই 'কুৰ'ৰ অন্তৰ্গত প্ৰত্যেকজন সদস্যই ইজনে সিজনক সামগ্ৰিকভাৱে 'শ্নি কুৰ' বুলি সম্বোধন কৰে। এই ধৰণৰ আত্মীয়তাৰ আধাৰ হৈছে সেই বিশ্বাস যে তেওঁলোক সকলোৱে এগৰাকী সাৰ্বজনীন মাতৃৰ পৰা জন্ম লাভ কৰিছে। খাচী 'ঈঙ্গ' বা পৰিয়াল খাচী আত্মীয়তাৰ মাজত আটাইতকৈ গুৰুত্বপূৰ্ণ গোট হিচাপে উত্থান লাভ কৰিছে। বুৎপত্তিগতভাৱে, 'ঈঙ্গ' শব্দটো বাস কৰা গোট আৰু নিকটতম পৰিয়ালৰ সদস্য যিসকল এগৰাকী সাৰ্বজনীন মাতৃৰ পৰা জন্ম লাভ কৰিছে এই দুয়োটাকে সূচায়। এই ধাৰণা হিচাপে, 'ঈঙ্গ' টো কেৱলমাত্ৰ বাস কৰা এটা গোটে নহয় যাৰ ভিতৰত উ ৎপাদন, ব্যয় আৰু জন্মধাৰণৰ নিচিনা পাৰ্থিৰ কামসমূহ প্ৰভাৱিত হয়, ই পৰিয়ালৰ ৰীতি-নীতিৰো কেন্দ্ৰ য'ৰ পৰা অনা-আত্মীয় (যি সগোত্ৰীয় নহয়) সদস্যসমূহক নিলগাই ৰখা হয়। খাচী সমাজৰ অবিচ্ছেদ্য অংগ স্বজনতা ব্যৱস্থাত পিতৃপক্ষৰ স্বজন (ধা) আৰু মাতৃপক্ষৰ স্বজন (কুৰ)ৰ বাবে পৃথক পৃথক বাধ্যবাধকতা আৰু কৰ্তব্যৰ সমষ্টি নিৰ্ধাৰণ কৰা থাকে।

উত্তৰ পূব ভাৰতীয় জনজাতিসমূহৰ মাজত গাৰো জনজাতি হৈছে এটা বিশাল জনজাতি। গাৰো সমাজ গঠন আৰু প্ৰকৃতিত মাতৃতান্ত্ৰিক। গাৰো সমাজ মাতৃবংশীয় হয় কিন্তু মাতৃতান্ত্ৰিক নহয়। মাতৃবংশীয় পদ্ধতিৰ সমাজ এখনত মহিলাক পৰিয়ালৰ উত্তৰাধিকাৰীৰ আধাৰ হিচাপে বিবেচনা কৰা হয়। মাতৃৰ ফালৰ আত্মীয়ৰ ওপৰত ভিত্তি কৰি উত্তৰাধিকাৰী বছা হয়। এইদৰে গাৰোসকলৰ মাজত বংশৰ অন্তৰ্ভু ক্তি মাকৰ ওপৰত ভিত্তি কৰি নিৰ্ধাৰিত কৰা হয়।

মাতৃবংশীয় পদ্ধতিয়ে বিবাহৰ সেই প্ৰথাক নিৰ্দেশ কৰে য'ত দৰাই বিবাহৰ পিছত তেওঁৰ পিতৃ-মাতৃৰ ঘৰ এৰিব লাগে আৰু তেওঁৰ ঘৈণীয়েকৰ পিতৃ-মাতৃৰ ঘৰত বাস কৰিব লাগে। বিবাহৰ পিছতো, কইনাই তাইৰ নিজা স্থানীয় ঠাইত বাস কৰি থাকে; সেই কাৰণে এই পদ্ধতিক মাতৃস্থানীয় বুলিও কোৱা হয়। মাতৃস্থানীয় পদ্ধতিৰ বিবাহত, দৰাজন তেওঁৰ ঘৈনীয়েকৰ বংশলৈ সম্পূৰ্ণৰূপে ৰূপান্তৰিত নহয় আৰু তেওঁ নিজৰ জন্মগত বংশৰ সদস্যপদ আৰু কৰ্তৃত্ব অক্ষুণ্ণ ৰাখে। এনেকুৱা ধৰণৰ পদ্ধতিত স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তি উত্তৰাধিকাৰ প্ৰাপ্তিৰ অধিকাৰ মহিলাগৰাকীৰ হাতলৈ যায়। তেওঁৰ গিৰীয়েকে বিবাহৰ পিছত অধিকাৰী হোৱা নাইবা আৰ্জিত কৰা সকলো সম্পত্তি তেওঁৰ সম্পত্তি হয়। উত্তৰাধিকাৰপ্ৰাপ্তিৰ প্ৰথাগত আইন অনুসৰি সম্পত্তি উত্তৰাধিকাৰপ্ৰাপ্তিৰ অধিকাৰ মাকৰ পৰা জীয়েকলৈ হস্তান্তৰিত হয়। প্ৰত্যেকজন ব্যক্তিৰ বংশ সদায় মাতৃৰ পৰা অংকিত কৰা হয়। গোটেই সমাজখনক মাতৃবংশই অনুমোদন জনায়; বংশ মাতৃবংশীয় আৰু উত্তৰাধিকাৰপ্ৰাপ্তি মহিলাৰ ফালৰ পৰা হয়। এইদৰে, ডি.এন. মজুমদাৰে গৰো সমাজক মাতৃবংশৰ নিৰ্দেশক বুলি পৰ্যবেক্ষণ কৰে।

নামনি অসমৰ সমতলভূমি নাইবা পাহাৰৰ দাতিত বাস কৰা ৰাভাসকলৰ মাজত মাতৃবংশৰ পৰা পিতৃবংশলৈ এটা পৰিবৰ্তন আহিছে বুলি বৰ্ণনা কৰা হৈছে। ১৯১১ চনৰ লোকপিয়লৰ প্ৰতিবেদন মতে, তেওঁলোকৰ মাজত বংশৰ ধাৰা সদায় মহিলাৰ ফালৰ পৰা ধৰা হৈছিল। বৰ্তমানে পিতৃস্থানীয় বাসিন্দা আৰু পুৰুষৰ ফালৰ পৰা উত্তৰাধিকাৰপ্ৰাপ্তিকৰণৰ এক প্ৰবণতা জাগি উঠিছে। ইয়াৰ উপৰি, সম্বন্ধীয় মানুহৰ সাত স্তৰলৈকে বিবাহৰ সম্পৰ্ক নিষিদ্ধ কৰা হৈছে। প্ৰথাৰ ফালৰ পৰা যদিও মাকৰ ভায়েকৰ জীয়েকৰ লগত বিয়াৰ অনুমতি আছে, শিক্ষিত চামে এনেকুৱা সম্পৰ্কৰ পৰা দূৰত থকাটো অগ্ৰাধিকাৰ দিয়ে।

কাৰ্বি আংলঙৰ পাহাৰ আৰু সমতলভূমিত বাস কৰা লালুং সকলৰ মাজত, মাতৃবংশীয় আৰু পিতৃবংশীয় পদ্ধতিৰ মিশ্ৰণ ঘটিছে। এই জনজাতিৰ পাহাৰীয়া আৰু সমতল অঞ্চলৰ মাজত অৰ্থনৈতিক ভূমিকাৰ পৃথকতা দেখা যায়। লালুং সকলৰ মাজত দুই ধৰণৰ বংশ দেখা যায়। ইয়াৰ এটা বংশ মাকৰ পৰা উদ্ভৱ হোৱা বংশৰ আৰু আনটো আকাৰ আঞ্চলিক দলৰ ফালৰ পৰা গঠন হয় যিটো সাধাৰণতে মুখীয়াল নাইবা বিশাল গাওঁৰ দলৈৰ নেতৃত্বত গঠিত হয়। পৰম্পৰাগতভাৱে বিবাহ আছিল মাতৃস্থানীয়। পাহাৰীয়া অঞ্চলত লালুংসকলে এতিয়াও উত্তৰাধিকাৰপ্ৰাপ্তিৰ মাতৃবংশীয় পদ্ধতিৰ মানি চলে; কিন্তু সমতল অঞ্চলত সূক্ষ্ম পৰিবৰ্তন হৈছে আৰু জীয়েকসকলৰ পৰিবৰ্তে পুতেকসকলে সম্পত্তিৰ অধিকাৰ লাভ কৰে।

ডিমাছা জনজাতিয়ে দুটা বংশৰ আনুগত্যতা মানি চলে। পুৰুষৰ ক্ষেত্ৰত, প্ৰাথমিক অন্তৰ্ভুক্তিকৰণ হয় পিতৃবংশত(ছেংফং) আৰু দ্বিতীয় অন্তৰ্ভুক্তিকৰণ হয় মাতৃবংশত (জাদ্দি)। মহিলাসকলৰ ক্ষেত্ৰত, নিয়মটো বিপৰীত হয়। ডিমাছাসকলৰ মাজত বিবাহ হৈছে ন-স্থানীয় ধাৰণা। ডিমাছাসকলৰ মাজত দেউতাকৰ সম্পত্তিৰ (স্থাৱৰ আৰু অস্থাৱৰ দুয়ো) পুতেকসকলে সমভাৱে অধিকাৰ পায়। দেউতাকৰ সম্পত্তিৰ উত্তৰাধিকাৰী ছোৱালীসকলে হোৱাত কোনো

বাধা নাই। কিন্তু, এজন পিতৃ যাৰ কোনো ল'ৰা নাই, তেওঁৰ মৃত্যুত তেওঁৰ ছোৱালীসকলে সম্পত্তিৰ অধিকাৰ পায়। মাকৰ ওচৰত থকা সম্পত্তি যেনেকৈ অলংকাৰ, কাপোৰ, টকা ইত্যাদি কেৱলমাত্ৰ ছোৱালীসকলে ভাগ কৰি লয় আৰু ইয়াত ল'ৰাসকলৰ কোনো ভাগ নাই।

মিজোৰামত বিবাহক এখন চুক্তি হিচাপে বিবেচনা কৰা হয়, চুক্তি কৰা পক্ষৰ ইচ্ছাৰ দ্বাৰা ইয়াক খণ্ডিত কৰিব পৰা যায়। মিজো জনজাতিসমূহৰ মাজত, বিবাহত টকা প্ৰদান কৰাৰ প্ৰথাৰ প্ৰাদুৰ্ভাৱ আছে, যিয়ে কইনাজনীৰ পৰিয়াললৈ এটা বিশেষ পৰিমাণৰ টকা আদায় দিয়াৰ ব্যৱস্থা কৰে। ছোৱালীজনীৰ পৰিয়ালৰ সন্মতিৰ পিছত, বিবাহ কাৰ্য সম্পাদন কৰাৰ কাৰণে ল'ৰাজনে এটা দৰ স্থিৰ কৰে। গীৰ্জা এটাত বিবাহ কাৰ্য সম্পাদন কৰা হয় আৰু কইনাই দৰালৈ এটা পৰম্পৰাগত কম্বল নাইবা এটা পুৱানডাম দিয়ে যিটো দৰাজনৰ মৃত্যুত তেওঁৰ শৰীৰৰ চাৰিওফালে মেৰিওৱা হয়। মিজোসকলৰ তলত দিয়া প্ৰকাৰৰ বিবাহ পদ্ধতি আছে-

১) লুংভাৰ ২) লুখুং ৩) ট্লেনডাম ৪) ৰিয়াভূক থিংফ'ম

৫) ট'নছাব'প ৬) ফেন

সাধাৰণ পদ্ধতি নাইবা প্ৰকাৰ যিটো অনুসৰণ কৰা হয় আৰু সাংস্কৃতিকভাৱে অনুমোদিত সেইটো হৈছে লুংভাৰ। আন আন প্ৰকাৰৰ বিবাহ বিলাক যদিওবা গ্ৰহণযোগ্য কিন্তু কিছুমান বিশেষ পৰিস্থিতি সাপেক্ষে। ওপৰত উল্লেখ কৰাৰ দৰে, প্ৰকৃত বিবাহ ল'ৰাৰ পৰিয়ালৰ মানুহ যাক কোৱা হয় পালাই আৰু আৰু ছোৱালীৰ পিতৃ-মাতৃৰ আলাপ-আলোচনাৰে আগুৱাই যায়। দুটা প্ৰতিজ্ঞা মনত ৰখা প্ৰয়োজন- ছোৱালীজনীৰ ইচ্ছা আৰু দৰা নাইবা ল'ৰাৰ পৰিয়ালে যি পৰিমাণৰ টকা আদায় দিবলৈ সন্মত হৈছে। এই দুটা প্ৰস্তাৱৰ (প্ৰতিজ্ঞাৰ) বন্দোবস্ত হৈ যোৱাৰ পিছত, বিবাহৰ দিন ধাৰ্য্য কৰা হয়। আন আন প্ৰকাৰৰ বিবাহ যেনে ট্লেনডাম (পলাই যোৱা) আৰু লুখুং হৈছে লুংভাৰ প্ৰকাৰৰ বিবাহৰ বিকল্প, যেতিয়া মাক-দেউতাকসকলৰ মাজত বিবাহৰ আলোচনাত এটা সন্মতিৰ চুক্তি বিফল হয় ।এই ধৰণৰ বিবাহৰ প্ৰকাৰক মৰ্যদা হানিকাৰক বুলি বিবেচনা কৰা হয়।

মণিপুৰৰ যৌ জনজাতিয়েও এনেকুৱা নিয়ম মানি চলে যাক কন্যা ধন বুলি অভিহিত কৰিব পাৰি। যৌসকল মঙ্গোলীয়ান জাতিৰ কুকি-চিন-লুছাই গোটৰ অন্তৰ্ভুক্ত তেওঁলোকক বুৰঞ্জীবিদসকলে পৰিবৰ্তিতভাৱে ছিনো-তিব্বেতান পৰিয়ালৰ বুলি বৰ্ণনা কৰিছে। যদিওবা বিবাহৰ ৰীতি-নীতি আৰু কইনাৰ দৰ বিভিন্ন দল আৰু অঞ্চলৰ মাজত পৃথক হয় তথাপি তেওঁলোকে কিছু প্ৰকাৰৰ সাধাৰণ মানদণ্ড মানি চলে। উদাহৰণস্বৰূপে, "মউ মান" (মউ মানে হৈছে কইনা আৰু মান মানে হৈছে দৰ) আৰু "মউ ৰানকেন" (ৰানকেন মানে হৈছে কইনাই বিবাহৰ সময়ত তাইৰ সৈতে অনা বস্তু)। পৰম্পৰাগতভাৱে, যৌসকলৰ কন্যা ধন হৈছে তেওঁৰ কুদাল, কম্বল, কুঠাৰ, পাঁচি ইত্যাদিৰ বাহিৰেও পাঁচটা মিথুন।

যৌসকলে সাধাৰণতে তেওঁলোকৰ গোত্ৰৰ বাহিৰত (গোত্ৰ অসবৰ্ণ বিবাহ) কিন্তু


জনজাতিৰ ভিতৰত বিয়া কৰাটো পছন্দ কৰে (জাতি অন্তর্বিবাহ)। কিন্তু কিছুমান ক্ষেত্রত, এনেকুৱা কোনো ধৰণৰ সীমাবদ্ধতা নাই যেতিয়ালৈকে ল'ৰা আৰু ছোৱালী একেবাৰে নিকট সম্পর্কীয় নহয়। প্রথাগত ভাৱে বিধবাৰ বিয়াৰ অনুমতি আছে কিন্তু প্রকৃততে বেছিকৈ দেখা নাযায়। সাধাৰণতে যৌসকলে একবিবাহত বিশ্বাস কৰে। এই জনজাতিটোৱে বেছিভাগ সময়তে পিতৃবংশীয় পেহীয়েকৰ ল'ৰা-ছোৱালীৰ সৈতে বিয়াত বহা (patrilineal cross-cousin's marriage)ৰ প্রথাটো অনুসৰণ কৰে। তেওঁলোকৰ প্রথম পছন্দ এই প্রথাটোক 'নেইলা' (Neila) নামেৰে জনা যায়। সাধাৰণতে এইটো দেখা যায় যে যৌ জনজাতিৰ পৰম্পৰাগত বিবাহ পদ্ধতি নিয়ন্ত্রিত হয় হয়তো (ক) টং মউ (পাতি দিয়া বিবাহ)ৰ দ্বাৰা নাইবা (খ) নেইলা পিতৃবংশীয় পেহীয়েকৰ সন্তানৰ সৈতে হোৱা বিবাহ) ৰ দ্বাৰা আৰু (গ) পলাই কৰা বিয়াৰ দ্বাৰা। উপৰৰ (ক) আৰু (খ) বিবাহ পদ্ধতি আনুষ্ঠানিক কার্যপ্রণালীৰে বিবাহৰ কার্য সম্পাদন কৰে যাৰ অবিহনে কোনো বিয়াৰ অনুমতি নাই। প্রথমৰ দুই প্রকাৰৰ বিয়াৰ পদ্ধতিক টং মউ বুলিও জনা যায় (পিতৃ-মাতৃৰ দ্বাৰা নির্বাচিত কইনা)। প্রথাগতভাৱে সমসাময়িক সম্বন্ধীয় ভাই-ভনীৰ মাজত বিবাহৰ অনুমতি নাই। ল'ৰাৰ পিতৃ-মাতৃৰ পৰা বিবাহৰ সম্বন্ধ আৰম্ভ হয় নাইবা তেওঁলোকৰ ঘৰুৱা পৰিষদৰ সদস্যৰ দ্বাৰা যাক পালাই (প্রতিনিধি) বুলি কোৱা হয়।

ত্রিপুৰাত পৰম্পৰাগত বিবাহৰ পদ্ধতিয়ে দাবী কৰে যে দৰাজনে তেওঁৰ হ'বলগীয়া কইনাক যদি বিয়া কৰিব বিচাৰে তেন্তে তেওঁ কইনাজনীৰ পৰিয়ালৰ চোৱা-চিতা কৰিব লাগিব। সেইমতে, ল'ৰাজন ছোৱালীৰ ঘৰলৈ স্থানান্তৰিত হয় আৰু তেওঁৰ পৰিয়ালৰ যত্ন লোৱাৰ কাৰণে তেওঁৰ যোগ্যতা প্রমাণ কৰিবলৈ কঠোৰ পৰিশ্রম কৰে। ইয়াৰ কাৰণে পাৰস্পৰিকভাৱে এটা নির্ধাৰিত সময়ত সন্মতি লোৱা হয় আৰু এই সময়সীমা ছয় মাহৰ পৰা এবছৰলৈ হ'ব পাৰে। এই প্রথাৰ মূল উদ্দেশ্য হৈছে দ'ৰাজনৰ সামর্থক বিশ্লেষণ কৰি চোৱা।

অৰুণাচল প্রদেশত বিবাহৰ তিনি ধৰণৰ স্পষ্ট গঠন আছে যিবিলাক সমাজত পালন কৰা হয়। প্রথম প্রকাৰত বিবাহ কার্য বুজা-পৰা নাইবা আলাপ-আলোচনা নাইবা আৰ লং আৰ ৰ জৰিয়তে সম্পাদন কৰা হয়। দ্বিতীয় আৰু তৃতীয় প্রকাৰৰ বিবাহ কার্য ক্রমে পলায়ন নাই থোক নো হো চাই ৰ দ্বাৰা কৰা বিবাহ আৰু ধৰি আনি কৰা বিবাহ নাইবা আন শিঅ আৰ। আৰ লং আৰ ত দৰাৰ পিতৃ-মাতৃয়ে কইনাক তেওঁলোকৰ ঘৰলৈ আদৰি আনে হো ফা বা (চেনী) আৰু বান ম'আ (ফুলেৰে ভর্তি প্লেট) প্রদান কৰি ¯। সাধাৰণতে, বন্দোৱস্ত আকাৰৰ বিবাহ এজন মধ্যস্থতাকাৰীৰ দ্বাৰা তত্ত্বাৱধান কৰা হয় যাক চৌ পাচাউ বুলি কোৱা হয়। দৰা আৰু কইনাৰ আনুষ্ঠানিক বিবাহ হিচাপে হেইজাপ'ট অনুষ্ঠানে বুজায়।

নাগালেণ্ডত বিভিন্ন জনজাতিৰ বিভিন্ন প্রথা আৰু আচাৰ-ৰীতি আছে। কন্যাক মুখীয়ালসকলৰ বাহিৰে একে বংশৰ মাজত বিবাহ নহয়। আগামি জনজাতিৰ সদস্যসকলে তেওঁলোকৰ বিবাহৰ ঘোষণাৰ পূর্বে এটা মতা কুকুৰা মাৰে। মুংছেন জনজাতিৰ সদস্যসকলে দম্পত্তিহালক বিশ দিনৰ এটা বাণিজ্যিক ভ্রমণত পঠিয়ায় য'ত দৰা-কইনাহালে তেওলোকৰ

বিবাহক পবিত্ৰ কৰা উদ্দেশ্যে কৃতকাৰ্যতাৰে বাণিজ্য সম্পাদন কৰিব লাগে । ছেমা জনজাতিয়ে বহুবিবাহ মানি চলে আৰু বহুতকেইজনী ঘৈণীয়েকৰ পৰা এজনীক মুখ্য ঘৈণীয়েক নিযুক্ত কৰে। ল'থা আৰু চেংগ সকলেও বহুবিবাহ মানি চলে।



অগ্ৰগতি নিৰীক্ষণ

(২৭) ডেভিদ মেনদেলবউমে আঙুলিয়াই দেখুৱায় যে জনজাতীয় সমাজত .....ভিত্তিত মুখ্য সংযোগ স্থাপন হয়।

(২৮) মেঘালয় ৰাজ্যখন তিনিটা মাতৃ বংশীয় জনজাতিৰ ঘৰ। সেইবিলাক হৈছে .....,..... আৰু .....।

(২৯) খাচীসকলক আৰু ..... উপজাতিত বিভক্ত কৰা হৈছে।

(৩০) এটা খাচী পৰিয়ালত কোনে সম্পত্তিৰ উত্তৰাধিকাৰী হয়?

(৩১) খাচীসকলে বংশ, বাস আৰু উত্তৰাধিকাৰৰ ..... নীতি অনুসৰণ কৰে।

(৩২) মাতৃবংশীয় নীতিৰ আধাৰত সমাজত আটাইতকৈ বিশাল ভাগ হৈছে ..... নাইবা ..... ।

(৩৩) খাচী ..... বা ..... খাচী আত্মীয়তাৰ মাজত আটাইতকৈ গুৰুত্বপূৰ্ণ গোট হিচাপে উত্থান লাভ কৰিছে।

(৩৪) উত্তৰ পূৰ ভাৰতীয় জনজাতিসমূহৰ মাজত ..... জনজাতি হৈছে এটা বিশাল জনজাতি।

(৩৫) এইদৰে গাৰোসকলৰ মাজত ..... মাকৰ ওপৰত ভিত্তি কৰি নিৰ্ধাৰিত কৰা হয়।

(৩৬) মাতৃস্থানীয় পদ্ধতিত সম্পত্তিৰ উত্তৰাধিকাৰ প্ৰাপ্তিৰ অধিকাৰ কাৰ থাকে?

(৩৭) খাচী পৰিয়ালত সম্পত্তি আৰু টকাৰ .....তিৰোতা বুলি বিবেচনা কৰা হয়।

(৩৮) .....সম্বন্ধীয় মানুহৰ সাত স্তৰলৈকে বিবাহৰ সম্পৰ্ক নিষিদ্ধ কৰা হৈছে ।

(৩৯) লালুংসকলৰ মাজত থকা দুই বংশৰ বৰ্ণনা কৰক।

(৪০) ডিমাছা জনজাতিয়ে দুটা বংশৰ আনুগত্যতা মানি চলে.....।

(৪১) ডিমাছাসকলৰ মাজত দেউতাকৰ সম্পত্তি (স্থাবৰ আৰু অস্থাবৰ দুয়ো) .....সমভাৱে অধিকাৰ কৰে।

(৪২) বিয়াৰ দৰ পৰিশোধ কি?

(৪৩) মিজোসকলৰ মাজত প্ৰচলিত ছয় প্ৰকাৰৰ বিবাহসমূহ কি কি?

(৪৪) মণিপুৰৰ যৌ জনজাতিয়ে ..... পালন কৰে।

(৪৫) যৌ সকলে সাধাৰণতে তেওঁলোকৰ .....বাহিৰত বিয়া কৰা পছন্দ কৰে (বংশ অসবর্ণ বিবাহ) আৰু তেওঁলোকৰ ..... ভিতৰত বিয়া কৰাটো পছন্দ কৰে (জাতি অন্তর্বিবাহ)।

(৪৬) যৌসকলৰ বিয়া নিয়ন্ত্ৰন কৰা পৰম্পৰাগত ব্যৱস্থাসমূহ কি কি?

(৪৭) অৰুণাচল প্ৰদেশত প্ৰচলিত তিনি প্ৰকাৰৰ বিবাহসমূহ কি কি?

(৪৮) অৰুণাচল প্ৰদেশত বন্দোৱস্ত আকাৰৰ বিবাহ কাৰ তত্ত্বাৱধানত হয়?

(৪৯) দৰা আৰু কইনাৰ আনুষ্ঠানিক বিবাহ হিচাপে ..... অনুষ্ঠানে বুজায়।

(৫০) ..... বাহিৰে একে বংশৰ জনজাতিবিলাকে বিবাহত নোসোমায়।

৬.৮ জনজাতীয় সম্প্ৰদায়সমূহৰ ধৰ্ম, অৰ্থ আৰু সমাজ ব্যৱস্থা

জনজাতিৰ অৰ্থব্যৱস্থা জনজাতীয় সমাজৰ এটা অভিক্ষেপ আৰু তেওঁলোকে জনজাতীয় সম্প্ৰদায়সমূহৰ উৎপাদন আৰু বিস্তাৰৰ কাৰ্য্যাৱলীসমূহ প্ৰদৰ্শন কৰে; আৰু ই আত্মীয়তাৰ বন্ধনেৰে চালিত হয়। কোনো ধৰণৰ বিশেষত্ব আৰু শ্ৰমবিভাজন নোহোৱাকৈ পৰিয়াল হৈছে উৎপাদনৰ গোট। জনজাতিসমূহৰ অৰ্থৰ আদৰ্শমূলক অৱস্থাক আত্মনিৰ্ভৰশীলতা বুলি বৰ্ণনা কৰিব পাৰি যদিওবা জীৱন নিৰ্বাহৰ পৰ্য্যায়ত।

অৰ্থৰ সৈতে ধৰ্মও সমাজৰ এক গুৰুত্বপূৰ্ণ অংশ গঠন কৰে আৰু সমাজৰ আন প্ৰতিষ্ঠানসমূহৰ লগত জোট-পোট খাই আছে, যেনে, সংস্কৃতি, বিবাহ পদ্ধতি, আৰু পৰিয়াল বহুতৰে মাজত। ধৰ্মীয় প্ৰতীক আৰু আচাৰ-ৰীতি সমাজৰ সংস্কৃতিৰ সৈতে বেছিকৈ সন্মিলিত হৈ আছে।

যদি আমি খাচী জনজাতি পৰ্যবেক্ষণ কৰিব লাগে, কৃষি হৈছে তেওঁলোকৰ প্ৰধান জীৱন নিৰ্বাহৰ কাৰ্য্য আৰু পৰিয়াল খেতিয়ে শস্য উৎপাদন কাৰ্যৰ প্ৰাথমিক গোট গঠন কৰে। খাচী জনজাতি হৈছে বহু বৃত্তিমূলক আৰু সেইদৰে অৰ্থব্যৱস্থা হৈছে বজাৰ ভিত্তিক। শস্য জীৱিকা

নিৰ্বাহ আৰু বাণিজ্যৰ কাৰণে উৎপাদন কৰা হয়। কৃষিৰ কাৰণে চাৰি প্ৰকাৰৰ ভূমিৰ ব্যৱহাৰ কৰা হয়- হাবি; সেমেকা ধাননি পথাৰ (হালি নাইবা পিনথ'ৰ), ঘৰৰ ভিটামাটি (কা'ডিউ কাইপেৰ); আৰু ওখ ঘাঁহনি পথাৰ (কা ৰি লুম নাইবা কা ৰি ফ্লাং)। সাধাৰণতে,ঝুম খেতি নিয়মীয়াকৈ কৰা হয় আৰু তাৰ কাৰণে হাবিৰ ভূমি পৰিস্কাৰ কৰি লোৱা হয় আৰু গছবোৰ কাটি জুই লগাই দিয়া হয় আৰু তাৰ পিছত বীজবিলাক সিচা হয়। জনজাতিটোৱে নিজক আন আন কাৰ্য যেনে মাছ ধৰা, চিকাৰ কৰা ইত্যাদিতো নিয়োজিত কৰে। উদ্যোগিকৰণৰ বিশেষত্বৰ ফালৰ পৰা, খাচী জনজাতিয়ে বহুতো ভিন্ন ভিন্ন ঔদ্যোগিক শিল্পৰ কামৰ লগত জড়িত হৈ আছে। বাঁহ আৰু বেতৰ কাম, কমাৰৰ কাম, দৰ্জিৰ কাম, হস্ততাত বোৱা আৰু চিলোৱা, মুগা পালন, শিলকটা, ইটা তৈয়াৰ কৰা, অলংকাৰ তৈয়াৰ কৰা, মৃৎশিল্প, লো গলোৱা, কুটিৰ শিল্প আৰু ঔদ্যোগিক শিল্পই সামৰি লয়। সাধাৰণতে পুৰুষসকলে ঝুম খেতি, গৰু পালনৰ সৈতে ধাতুৰ কামৰ সৈতে জড়িত আৰু মিস্ত্রীকাম বিলাক সমাধা কৰে। তিৰোতাসকলে কাপোৰ বৈ দোকানী হিচাপে বজাৰত বেচিবলগীয়া সামগ্রীসমূহৰ সৈতে জড়িত থাকে আৰু ল'ৰা-ছোৱালীৰ সামাজিকৰণ কৰাৰ প্ৰক্ৰিয়াত এটা প্ৰধান ভূমিকা পালন কৰে। ভূমিৰ ফালৰ পৰা, খাচী জনজাতিৰ চাৰি প্ৰকাৰৰ ভূমি থাকে- কা ৰি ৰাজ (জমিদাৰী ভূমি); কা ৰি লিংদোহ (পৌৰহিত্য ভূমি); কি সোং (ঘৰৰ ছাউনীৰ কাৰণে ঘাঁহ, জুইধৰা খৰি ইত্যাদিৰ উৎপাদনৰ কাৰণে গাওঁৰ মাটি); আৰু কি 'ল'কিনটেং (পবিত্ৰ কুঞ্জবন)। ইয়াৰ উপৰি, ব্যক্তিগত ভূমিক দুই প্ৰকাৰৰ ভূমিত বিভাজন কৰিব পাৰি- ৰি কুৰ (এটা বংশৰ দ্বাৰা অধিকৃত ভূমি) আৰু ৰি-কিনতি (পৰিয়ালৰ দ্বাৰা অধিকৃত বা আৰ্জিত মাটি; এই মাটি এজনী মহিলাই তাইৰ মাকৰ পৰা উত্তৰাধিকাৰ সূত্রে পোৱা নাইবা এজন মানুহ নাইবা এজনী মহিলাই আৰ্জিত)। পূৰ্বপুৰুষৰ মাটি মহিলাৰ অধিকৃত হয়।

ধৰ্মৰ ফালৰ পৰা, খাচী জনজাতি এজন সৃষ্টিকাৰী দেৱতাৰ ওপৰত বিশ্বাস কৰে (ইউ ৱ্লেই নং-থাৰ) যিজনক লিংগৰ ফালৰ পৰা স্ত্রীলিংগ বুলি বিবেচনা কৰা হয় (কা লেই ছিনাসাৰ)। যেতিয়া বলিদান দিয়া হয় নাইবা যেতিয়া কোনো সমস্যাৰ সন্মুখীন হয় তেওঁলোকে দেবীক মাতে। প্ৰধান আত্মা যিবিলাকৰ পূজা কৰা হয় সেইবিলাক হৈছে উলেই মুলুক (ৰাজ্যৰ দেৱতা), উলেই উমটেং (খোৱা পানী আৰু ৰন্ধা পানীৰ দেৱতা), উলেই লংছপাহ (সম্পত্তিৰ দেৱতা); আৰু অ ৰিংকিউ নাইবা উ বাছা স্নঅঙ (গাওঁৰ ৰক্ষকৰ্তা দেবী)।

গাৰো সমাজ কেতিয়াও আধুনিক সময়ৰ স্থাপিত আকাৰৰ চৰকাৰৰ দ্বাৰা চালিত (শাসিত) হোৱা নাই। গাৰো সমাজৰ গঠনমূলক আৰু ক্ৰিয়ামূলক দুয়ো ধৰণৰ শক্তি আছিল যিয়ে মানুহৰ কৰ্ম আৰু আচৰণক নিয়ন্ত্রিত কৰিছিল। এটা সময়সীমাৰ মাজত গঢ় লৈ উঠা প্ৰথাই আইনৰ বিধি গঠন কৰিছিল আৰু গোটেই সম্প্রদায়ে তাক মানি চলিছিল। এই আইনৰ বিধিসমূহক তিনিটা ভাগত বিভক্ত কৰিব পাৰি- আছিমালজা, দাকমালজা, আৰু নিমা। আছিমালজা নৈতিকতাৰ নীতিসমূহ গঠন কৰিছিল যিয়ে এজন গাৰো মানুহক কোনো কুকাৰ্য লিপ্ত হোৱাত

বাধা আৰোপ কৰিছিল। ভিন্ন আকাৰৰ নৈতিক নিয়ম, ধৰ্মীয় নিয়ম, দেৱানী আৰু অপৰাধমূলক আইন, বিবাহ আইন, ভূমি আইন, উত্তৰাধিকাৰপ্ৰাপ্তিৰ আইন ইত্যাদিৰ দ্বাৰা দাকমালজা গঠিত আৰু যদি কোনো ব্যক্তিয়ে এই বিধিসমূহ ভংগ কৰিছে নাইবা অপমান কৰিছে তেন্তে তাক শাস্তি দিয়া হৈছিল। দাকমালজা ৰ নিয়ম অনুসৰি উত্তৰাধিকাৰপ্ৰাপ্তি গাৰো জনজাতিত মাতৃবংশীয় পক্ষৰ ফালৰ ওপৰত নিৰ্ভৰ কৰিছিল। সাৰ্বজনীন বলিদানৰ দিনবোৰ উদযাপন কৰাৰ নিয়ম গাৰো জনজাতিৰ ধৰ্মীয় নিয়ম উদযাপন কৰাৰ ভিতৰত অন্তৰ্ভু ক্ত আছিল। এই দিনটোত, গাওঁৰ জনগণে তেওঁলোকৰ ওপৰত বৰ্ষণ কৰা সকলো সুফলসমূহৰ কাৰণে দেবতালৈ কৃতজ্ঞতা জ্ঞাপন কৰে আৰু এটা উজ্জ্বল ভৱিষ্যতৰ কাৰণে প্ৰাৰ্থনা কৰে। সকলোবোৰ বাসিন্দাৰ কাৰণে কিবা নহয় কিবা কামত জড়িত হোৱাটো বাধ্যতামূলক আৰু প্ৰত্যেকে প্ৰথাগত অনুষ্ঠান সম্পাদন কৰাটো আশা কৰা হয়। ধৰ্মীয় উৎসৱ-অনুষ্ঠানত মহিলাসকলৰ কোনো ভূমিকা পালন কৰিবলগীয়া নাথাকে। গাৰো জনজাতিয়ে ঝুম খেতিৰ ওপৰত জীৱন নিৰ্বাহ কৰে। প্ৰত্যেক গাৰো পৰিয়াল স্বয়ংসম্পূৰ্ণ অৰ্থনৈতিক গোট হিচাপে কাম কৰে। ডকমেণ্ড (এক প্ৰকাৰৰ কাপোৰ) গুথাত নিজকে খটুৱায় ব্যৱসায়িক উদ্দেশ্যে আৰু ব্যক্তিগত ব্যৱহাৰৰ উদ্দেশ্যেও প্ৰস্তুত কৰা হয়। এইবিলাকৰ বাহিৰেও, মৃৎশিল্প আন এক প্ৰকাৰৰ বৃত্তি যি কম সংখ্যক পৰিয়ালৰ মাজত সীমিত। ঝুম খেতিৰ বাবে ভূমি বংশৰ দ্বাৰা অধিকৃত হয়। প্ৰত্যেক গাওঁৰে ইয়াৰ নিজা পৰম্পৰাগতভাৱে সীমা নিৰ্ধাৰণ কৰা অঞ্চল আছে যাক এডক বুলি কোৱা হয়। এখন অঞ্চলক বিভিন্ন খণ্ডত বিভক্ত কৰা হয় আৰু তাৰ পিছত সেই ভূমি কৃষিৰ কাৰণে বৃত্তিয় শৃঙ্খলাত ব্যৱহাৰ কৰা হয়।

মণিপুৰত, বিশাল সংখ্যক জনগণে বৰ্দ্ধিত হাৰত খ্ৰীষ্টান ধৰ্মলৈ ধৰ্মান্তৰিত হৈছে। মণিপুৰত ২৯ টা অনুসূচিত জনজাতি আছে। প্ৰধান জনজাতিসমূহ হৈছে কাবুই (জেলিআনগৰং শৈলীত গঠিত হোৱা এটা গোট) নাগা গোটৰ অধীনত মাউ আৰু তাংখুল আৰু বহুলভিত্তিত কুকি গোটৰ অধীনত পাইটে, ক'ম, হমাৰ, ভাইপেই, থাডাউ, গানটে আৰু যৌ। কাবুই সকলে বহুতো দেৱ-দেৱীক, স্থানীয় দেৱতা আৰু আত্মাৰ ওপৰত বিশ্বাস কৰে। তেওঁলোকে এজন সৰ্বোচ্চ ভগৱান ৰা-গেং (দেৱতাসকলৰ ৰজা)ৰ ওপৰতো বিশ্বাস কৰে যাৰ বাসস্থল হৈছে স্বৰ্গ আৰু যিজন হৈছে অমৰ আৰু সদা-বিৰাজমান। বিভিন্ন সিদ্ধি অনুষ্ঠানৰ কাৰণে তেওঁলোকৰ পুৰোহিত (ম'ল বুলি কোৱা হয়) আৰু আন আন ঐশ্বৰিক পুৰুষ থাকে। টেংখুলসকলে কিছু সংখ্যক দেৱতাৰ পূজা কৰে আৰু তেওঁলোক তেওঁলোকৰ ধৰ্মীয় আৰু ধৰ্মনিৰপেক্ষ সকলো কাৰু-কাৰ্যৰ কাৰণে গীতক পচন্দ কৰে। পাইটেসকলে যিসকলে ভাল আৰু বেয়া দুয়ো ধৰণৰ আত্মাত বিশ্বাস কৰে। তেওঁলোকৰ বাবে ৰক্ত উছৰ্গা হৈছে ঈশ্বৰক সন্তুষ্ট কৰা আৰু ভূত-প্ৰেত আঁতৰোৱাৰ প্ৰধান উপায়। তেওঁলোকৰ পুৰোহিত আৰু আত্মাৰ সৈতে সংযোগ স্থাপনকাৰী মাধ্যম (ব্যক্তি) থাকে। তেওঁলোকে মৃত্যুৰ পাছতো জীৱনৰ অস্তিত্ব থাকে আৰু আত্মাবোৰ 'পাইলগাল'লৈ গৈ থকা অৱস্থাত 'চাহ্নু' নামৰ এক স্ত্ৰী আত্মাই বাট দেখুৱাই নিয়ে বুলি বিশ্বাস

কৰে। ক'মসকলে আত্মা আৰু আন আন প্ৰাকৃতিক শক্তিৰ ওপৰত বিশ্বাস কৰে। তেওঁলোকে পূৰ্বপুৰুষৰ পূজাতো বিশ্বাস কৰে। ক'মসকলৰ কাৰণে ফনী বৰ পবিত্ৰ বুলি বিবেচিত হয়। হমাৰসকলে পাথেইন (সকলো বস্তুৰ সৃষ্টিকৰ্তা) নামৰ এজন সৰ্বোচ্চ দেৱতাৰ ওপৰত বিশ্বাস কৰে আৰু ভাল-বেয়া দুয়ো ধৰণৰ পৰ্বত, শিল আৰু নদীৰ আত্মাবিলাকক পূজা কৰে। থাডউসকলেও সৰ্বোচ্চ দেৱতাৰ ওপৰত বিশ্বাস কৰে আৰু তেওঁলোকে স্বৰ্গ আৰু নৰকৰ ধাৰণাকো বিশ্বাস কৰে। তেওঁলোকৰ ঈনদৈ নামৰ ঘৰৰ দেৱতাও আছে (মাইতেই ছানামাহিৰ প্ৰতিৰূপ যিয়ে বহুল অৰ্থ বহন কৰে)। ক'মসকলৰো এজন ঘৰৰ দেৱতা আছে যাক লুৰুই বুলি কোৱা হয়। তেওঁলোকে দুজন দেৱতা পাথেইন (সৰ্বোচ্চ) আৰু তেওঁৰ ভায়েক লুঙিয়েই ৰ ওপৰতো বিশ্বাস কৰে; এই দুয়োজন স্বৰ্গত বাস কৰে। ভাইফেইসকলেও পাথেইন আৰু ঈনদৈক প্ৰত্যেক ঘৰৰ ৰক্ষাকৰ্তা আত্মা হিচাপে বিশ্বাস কৰে। ইয়াৰ উপৰি তেওঁলোকে আন আন বিভিন্ন আত্মাক বিশ্বাস কৰে যিবিলাকক তেওঁলোকে সমভাৱে বিশ্বাস আৰু ভয় কৰে। সেকমাই, ফায়েং, লেইমৰম, আৰু এনড্ৰ অঞ্চলত বাস কৰা মণিপুৰ উপত্যকাৰ চাকপা সম্প্ৰদাসমূহে (অনুসূচিত জনজাতি বুলি কোৱা হয়) আকাশ-দেৱতা আৰু আন আন আত্মাৰ ওপৰত বিশ্বাস কৰে, তেওঁলোকৰ জাকজমকীয়া হাৰাউবা উৎসৱত প্ৰদৰ্শন কৰাৰ দৰে। তেওঁলোকে তেওঁলোকৰ বৈষ্ণৱ ধৰ্মাৱলম্বীসকলৰ বিপৰীতে মদ আৰু মাংস দুয়োটা খায় আৰু মণিপুৰীসকলৰ পৰম্পৰাগত সংস্কৃতি ৰক্ষা কৰাটো তেওঁলোকে বিচাৰে। খ্ৰীষ্টিয় বিংশ শতাব্দীৰ প্ৰথম ভাগত মণিপুৰত খ্ৰীষ্টান ধৰ্মৰ আগমন ঘটে। বৰ্তমানলৈকে পাহাৰত মুঠ জনসংখ্যাৰ খ্ৰীষ্টান ধৰ্ম আকোৱালি লৈছে। পুৰুমাসকলে ছানামাহি (মাইতেই ভগৱান) আৰু হিন্দুসকলে কৃষ্ণক ভগৱান হিচাপে মানে।

নগা জনজাতিৰ মাজত খ্ৰীষ্টান ধৰ্মই শিপাই লৈছে যদিও ই পৰম্পৰাগত ধৰ্মীয় বিশ্বাসক মচি পেলোৱা নাই। কিছু সংখ্যক দেৱতাক তেওঁলোকে পূজা কৰে, যিবিলাকৰ মাজত কিছুমান উল্লেখযোগ্য হৈছে- কেন'পফু(সৃষ্টিকৰ্ত্তা দেৱতা); ৰুটজেহ (আকস্মিক মৃত্যুদাতা) মাৱএনু (উৰ্ৱৰতাৰ দেৱতা) টেলেপফু (এজন হানিকাৰক দেৱতা); ছুকু আৰু যুৱাৰু (পতি আৰু পত্নী একেলগে ক্ষুদ্ৰ দেৱতা বনৰীয়া জীৱ-জন্তুৰ ওপৰত ৰাজত্ব কৰি); মেটছিমো (স্বৰ্গলৈ যোৱা দুৱাৰৰ ৰক্ষক); টেখু-ৰ' (বাঘৰ দেৱতা); আৰু আয়েপি (আগামি ঘৰত বাস কৰা এজন দেৱতা আৰু ই উন্নতি লৈ আনে)। আংগামি জনজাতিসকলৰ মাজত, ধৰ্মীয় কাম-কাজ এঘাৰটা জেনাছ (সম্প্ৰদায় আৰু (নাইবা) ব্যক্তিক বান্ধা আচৰণমূলক সীমাবদ্ধতাৰ সৈতে ধৰ্মীয় যাদুৰ প্ৰকাৰৰ উৎসৱ-পাৰ্বন) শাৰীৰ চাৰিওফালে কেন্দ্ৰিত হয় যিটো গোটেই বছৰ জুৰি পালন কৰা হয়। এইবোৰ কাম-কাজ কৃষিমূলক কাৰ্যাৱলীৰ লগতো জড়িত থাকে আৰু ইয়াৰ দ্বাৰা সম্প্ৰদায়ৰ দৈনন্দিন জীৱন প্ৰভাৱিত হয়।

আন এটা সৰু জনজাতি যিটো অসমত পোৱা যায় সেইটো হৈছে ফাকিয়ালসকল। তেওঁলোকৰ প্ৰায় মাত্ৰ দুই হেজাৰ জনসংখ্যা আছে আৰু প্ৰধানত মাৰ্ঘেৰিটা, নাহৰকটিয়া,

নঙলাই, লিডু, লংগাও ইত্যাদি ঠাইত বাস কৰে। এই জনজাতিৰ মাজত কিছুমান উপ-জাতি আছে যেনে, থেমাঙ, মান, হাই থুমটেন ইত্যাদি। ধৰ্মৰ ফালৰ পৰা, ফাকাইলসকলে প্ৰধানত বুদ্ধ ধৰ্ম মানে আৰু এইদৰে তেওঁলোকৰ সকলো মানুহে পঞ্চশীল আৰু অষ্টশীলৰ আজ্ঞা কৰে আৰু প্ৰচাৰ কৰে। এই জনজাতিসকলে কঠোৰভাৱে জন্তু বধ কৰাৰ বিৰোধিতা কৰে। তেওঁলোকৰ বৃত্তিৰ বিষয়ে ক'বলৈ গ'লে, ফাকাইলসকলে কৃষি কৰে। এই জনজাতিৰ মহিলা সদস্যসকল শি পিনী কামত পাৰ্গত আৰু পুৰুষ সদস্যসকল মৃৎশিল্প, কাঠ আৰু বাঁহেৰে শিল্পসুলভ নিদৰ্শন নিৰ্মাণ কৰে।

৬.৯ সামৰণি ঃ

সামাজিক প্ৰতিষ্ঠানসমূহক আদৰ্শনুযায়ী গঠন কৰা ব্যৱস্থা আৰু যোগসূত্ৰ যিয়ে সমাজৰ সদস্যসকলৰ দৈনন্দিন প্ৰয়োজনসমূহ পূৰণ কৰে বুলি আটাইতকৈ উত্তমভাৱে ক'ব পাৰি। সামাজিক প্ৰতিষ্ঠানসমূহৰ কাৰ্যাৱলী বিশালভাৱে সমাজখনৰ নাইবা গোট এটাৰ সদস্যসকলৰ দ্বাৰা এনেকুৱা প্ৰতিষ্ঠানসমূহৰ গ্ৰহণযোগ্যতাৰ ওপৰত নিৰ্ভৰ কৰে। সমাজ এখনত সামাজিক প্ৰতিষ্ঠানসমূহৰ অস্তিত্ব আৱশ্যকীয় কাৰণ এইবিলাকে সমাজ এখনত নিৰ্ভৰ কৰে। সমাজ এখনত সামাজিক প্ৰতিষ্ঠানসমূহৰ অস্তিত্ব আৱশ্যকীয় কাৰণ এইবিলাকে সমাজ এখনত ব্যক্তি এজনে যি ধৰণে কাম কৰে তাক শৃঙ্খলাবদ্ধ আৰু গঠন কৰে। এইদৰে এফালৰ পৰা এই প্ৰতিষ্ঠানসমূহে সমাজৰ মেৰুদণ্ড হিচাপে কাম কৰে আৰু সমাজ, গোট, সম্প্ৰদায়ক সকলো ক্ষেত্ৰত পৰিপূৰ্ণতা লাভ কৰিবলৈ সহায় কৰে। সেয়া অৰ্থনৈতিক নাইবা শিক্ষাবিষয়ক নাইবা ৰাজনৈতিকো হ'ব পাৰে।



অগ্ৰগতি নিৰীক্ষণ

(৫১) ..... হৈছে খাচীসকলৰ প্ৰধান জীৱন নিৰ্বাহৰ কাৰ্য্য

(৫২) খাচীসকলৰ দ্বাৰা কৃষিৰ কাৰণে ব্যৱহাৰ কৰা চাৰি প্ৰকাৰৰ ভূমি কি কি?

(৫৩) খাচীসকলৰ পূৰ্বপুৰুষৰ ভূমি কাৰ অধিকাৰত থাকে?

(৫৪) তিনি শ্ৰেণীৰ আইনৰ বিধিসমূহ কি কি যাৰ ভিত্তিত গাৰো সমাজ এখন পৰিচালিত হয়?

(৫৫) প্ৰত্যেক গাৰো পৰিয়াল এটা ..... গোট হিচাপে কাম কৰে।

(৫৬) মণিপুৰত..... জনজাতি আছে।

(৫৭) ফাকাইল জনজাতিৰ উপ-জাতিসমূহৰ নাম লিখক।



৬.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১। কার্যকাৰিতাবাদী এজনৰ মতে সামাজিক প্রতিষ্ঠানসমূহক সামাজিক নিয়ম, বিশ্বাস, মূল্য আৰু সম্পর্কীয় ভূমিকাৰ এটা জটিল গোট বুলি বুজে যিটো সমাজৰ প্রয়োজনৰ তাগিদাত উদয় হয়।

২। পৰিয়ালক আটাইতকৈ "সহজাত" সামাজিক সত্তা বুলি অভিহিত কৰিব পাৰি।

৩। বিবাহৰ বিভিন্ন প্রকাৰৰ আকাৰ থকা দেখা যায়। এই আকাৰসমূহ সঙ্গীৰ সংখ্যা আৰু নীতি-নিয়ম যিয়ে নির্ধাৰণ কৰে কোনে কাক বিয়া কৰাব পাৰে তাৰ ওপৰত ভিত্তি কৰি নিৰূপণ কৰিব পৰা যায়।

৪। অন্তর্বিবাহ আৰু অসবর্ণ বিবাহ কিছুমান বিশেষ সম্পর্কীয় গোটৰ প্রসঙ্গত যেনে- বংশ, জাতি নাইবা জাতিগত, পৌত্তলিক নাইবা ধর্মীয় গোট।

৫। তেজৰ সূত্রে সম্পর্ক স্থাপন হোৱা সম্পর্কীয় মানুহবিলাকক গোত্রৰ সম্পর্কীয় বুলি কোৱা হয় আৰু বিবাহৰ সূত্রে সম্বন্ধ স্থাপন হোৱা সম্পর্কীয় মানুহবিলাকক এফিনছ বুলি কোৱা হয়।

৬। যুগ যুগ ধৰি ধর্মৰ সামাজিক প্রতিষ্ঠানটো অধ্যয়ন আৰু চিন্তাৰ বিষয় হৈ আহেছে।

৭। যেতিয়া ৰাজনৈতিক প্রতিষ্ঠানসমূহৰ বিশ্লেষণ কৰা হয় তেতিয়া ক্ষমতা আৰু কর্তৃত্ব সবাতোকৈ গুৰুত্বপূর্ণ কথা।

৮। প্রতিষ্ঠান হিচাপে অর্থনৈতিক ব্যৱস্থা সদায় পৰিবর্তন হৈ থাকে।

৯। ২০০১ চনৰ লোকপিয়ল মতে ভাৰতৰ মুঠ জনসংখ্যাৰ ৮.২% হৈছে জনজাতীয় মানুহ। তাৰ মানে ৮৫ মিলিয়ন।

১০। মেঘালয় ৰাজ্যখন তিনিটা মাতৃবংশীয় জনজাতিৰ ঘৰ। সেইবিলাক হৈছে খাচী, জয়ন্তীয়া আৰু গাৰো।

১১। আত্মীয়তাৰ ব্যৱস্থা যি খাচী সমাজত এটা অবিচ্ছেদ্য অংশ গঠন কৰে সেই ব্যৱস্থাই পিতৃৰ ফালৰ আত্মীয় (খা) আৰু মাতৃৰ ফালৰ আত্মীয় (কুৰ) সম্পর্কে বিভিন্ন বাধা আৰু দায়িত্ব আৰোপ কৰে।

১২। গাৰো সমাজ গঠন আৰু প্রকৃতিত মাতৃবংশীয়।

১৩। লালুং জনজাতিৰ পাহাৰীয়া আৰু সমতল অঞ্চলৰ মাজত অর্থনৈতিক ভূমিকাৰ পৃথকতা আছে।

১৪। ডিমাছা জনজাতিয়ে দুটা বংশৰ আনুগত্যতা মানি চলে। পুৰুষৰ ক্ষেত্ৰত, প্ৰাথমিক অন্তৰ্ভুক্তিকৰণ হয় পিতৃবংশত(ছেংফং) আৰু দ্বিতীয় অন্তৰ্ভুক্তিকৰণ হয় মাতৃবংশত (জাদ্দি)। মহিলাসকলৰ ক্ষেত্ৰত, নিয়মটো বিপৰীত হয়।

১৫। মিজোসকলৰ বিয়াত কইনাই দৰালৈ এটা পৰম্পৰাগত কম্বল নাইবা এটা পুৰানডাম দিয়ে যিটো দৰাজনৰ মৃত্যুত তেওঁৰ শৰীৰৰ চাৰিওফালে মেৰিওৱা হয়।

১৬। মিজোসকলৰ তলত দিয়া ছয় প্ৰকাৰৰ বিবাহ পদ্ধতি আছে-

(ক) লুংভাৰ (খ) লুখুং (গ) ট্ৰেনডাম (ঘ) ৰিয়াভূক থিংফ'ম

(ঙ) ট'নছাব'প (চ) ফেন

১৭। মণিপুৰৰ যৌ জনজাতিয়েও এনেকুৱা নিয়ম মানি চলে যাক কইনাৰ দৰ বুলি অভিহিত কৰিব পাৰি।

১৮। যৌ সকলে সাধাৰণতে তেওঁলোকৰ বংশৰ বাহিৰত বিয়া কৰা পছন্দ কৰে (বংশ অসবর্ণ বিবাহ) আৰু তেওঁলোকৰ জনজাতিৰ ভিতৰত বিয়া কৰাটো পছন্দ কৰে (জাতি অন্তর্বিবাহ)।

১৯। সাধাৰণতে যৌসকলে একবিবাহত বিশ্বাস কৰে।

২০। অৰুণাচল প্ৰদেশত দৰা আৰু কইনাৰ আনুষ্ঠানিক বিবাহ হিচাপে হেইজাপ'ট অনুষ্ঠানে বুজায়।

২১। মুংছেন জনজাতিৰ সদস্যসকলে দম্পত্তিহালক বিশ দিনৰ এটা বাণিজ্যিক ভ্ৰমণত পঠিয়ায় য'ত দৰা-কইনাহালে তেওলোকৰ বিবাহক পবিত্ৰ কৰা উদ্দেশ্যে কৃতকার্যতাৰে বাণিজ্য সম্পাদন কৰিব লাগে ।

২২। কন্যাক মুখীয়ালসকলৰ বাহিৰে একে বংশৰ জনজাতিবিলাকে বিবাহত নোসোমায়।

২৩। জনজাতিৰ অর্থব্যৱস্থা জনজাতীয় সমাজৰ এটা অভিক্ষেপ আৰু তেওঁলোকে জনজাতীয় সম্প্ৰদায়সমূহৰ উৎপাদন আৰু বিস্তাৰৰ কার্য্যাৱলীসমূহ প্ৰদর্শন কৰে; আৰু ই আত্মীয়তাৰ বন্ধনেৰে চালিত হয়।

২৪। খাচী জনজাতি হৈছে বহু বৃত্তিমূলক আৰু সেইদৰে অর্থব্যৱস্থা হৈছে বজাৰ ভিত্তিক।

২৫। গাৰো সমাজ কেতিয়াও আধুনিক সময়ৰ স্থাপিত আকাৰৰ চৰকাৰৰ দ্বাৰা চালিত (শাসিত) হোৱা নাই।

২৬। মণিপুৰত, বিশাল সংখ্যক জনগনে বর্দ্ধিত হাৰত খ্ৰীষ্টান ধর্মলৈ ৰূপান্তৰিত হৈছে।

২৭। নগা জনজাতিৰ মাজত খ্ৰীষ্টান ধর্মই শিপাই লৈছে যদিও ই পৰম্পৰাগত ধর্মীয় বিশ্বাসক মচি পেলোৱা নাই।

২৮। সামাজিক প্ৰতিষ্ঠানসমূহক আদৰ্শনুযায়ী গঠন কৰা ব্যৱস্থা আৰু যোগসূত্ৰ যিয়ে সমাজৰ সদস্যসকলৰ দৈনন্দিন প্ৰয়োজনসমূহ পূৰণ কৰে বুলি আটাইতকৈ উত্তমভাৱে কবপাৰি।

২৯। সমাজ এখনত সামাজিক প্ৰতিষ্ঠানসমূহৰ অস্তিত্ব আৱশ্যকীয় কাৰণ এইবিলাকে সমাজ এখনত ব্যক্তি এজনে যি ধৰণে কাম কৰে তাক শৃঙ্খলাবদ্ধ আৰু গঠন কৰে।



৬.১১ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1. Adcock, R. Bevir, M., and Stimson, S, 2006, Historicizing the new institutionalisms. In Modern Political Science: Anglo American Exchanges since 1880, (eds.) R. Andock, M. Bevir, and S. Stinson, NJ: Princeton University Press
2. Ansari, Mahmood, Tribal Economies in Assam: A Study of North-eastern India, MPRA Paper No. 51890, available at https://mpra.ub.uni-muenchen.de/51890/.
3. Britannica, India. Vol.6, Encyclopaedia Britannica Private Ltd, New Delhi, pp. 145-155.
4. Beteille, Andre, "The concept of tribe with special reference to India", European Journal of Sociology, Vol. 27, No. 2, 1986, and pp: 297-318.
5. Judd, Charles. H, "The Nature of Social Institustions", Social Forces, Vol. 10, No. 1, 1931, pp: 1-4.
6. S, Clegg. 1990. Modern Organisations: Organisation Studies in a Postmodern World, London: Sage
7. Shah, A.M., 1998, Family in India: Critical Essays. Hyderabad: Orient Longman.
8. Singh, Yogendra, 1993, Social Change in India: Crisis and Resilience, New Delhi: Har-Anand Publications.

9. Uberoi, Patricia, 1994, Family Kinship and Marriage in India, Calcutt: OUP.

৬.১২ অগ্ৰগতি খতিয়ান

(১) প্ৰতিষ্ঠানসমূহে ব্যক্তিবিশেষৰ ওপৰত বাধা আৰোপ কৰে আৰু তেওঁলোকক বিভিন্ন সা-সুবিধাও প্ৰদান কৰে।

(২) জনাথান টাৰ্নাৰ (Jonathan Turner) সামাজিক প্ৰতিষ্ঠানক বৰ্ণনা কৰে- "এটা নিৰ্দিষ্ট পৰিবেশত জীৱন-নিৰ্বাহৰ সংস্থানসমূহৰ উৎপাদন, বংশবৃদ্ধি আৰু প্ৰয়োগসাধ্য সামাজিক গঠন চলাই যোৱাত হোৱা মৌলিক সমস্যাসমূহৰ সম্পৰ্কে এক বিশেষ প্ৰকাৰৰ সামাজিক গঠন আৰু মানৱীয় কাৰ্যৰ তুলনামূলকভাৱে স্থিৰ পদ্ধতিসমূহত স্থাপিত পদ, ভূমিকা, নিয়ম আৰু মূল্যৰ জোট।"

(৩) এনথনি গিডেনসে উল্লেখ কৰে যে "সূত্ৰৰ দ্বাৰা প্ৰতিষ্ঠানসমূহ হৈছে সামাজিক জীৱনৰ স্থায়ী বৈশিষ্ট্য।"

(৪) কাৰ্যকাৰিতাবাদী এজনৰ মতে সামাজিক প্ৰতিষ্ঠানসমূহক সামাজিক নিয়ম, বিশ্বাস, মূল্য আৰু সম্পৰ্কীয় ভূমিকাৰ এটা জটিল গোট বুলি বুজে যিটো সমাজৰ প্ৰয়োজনৰ তাগিদাত উদয় হয়।

(৫) সামাজিক প্ৰতিষ্ঠান তিনিটা দিশৰ দ্বাৰা গঠিত- গঠন, কাৰ্য আৰু সংস্কৃতি।

(৬) পৰিয়ালক আটাইতকৈ "সহজাত" সামাজিক সত্তা বুলি অভিহিত কৰিব পাৰি।

(৭) কাৰ্যকাৰিতাবাদীসকলৰ মতে পৰিয়ালে গুৰুত্বপূৰ্ণ কামসমূহ সম্পাদন কৰে আৰু সমাজৰ মৌলিক প্ৰয়োজনসমূহ আগবঢ়ায় আৰু সমাজিক শৃঙ্খলা ধৰি ৰখাত সহায় কৰে।

(৮) সমাজ শাস্ত্ৰবিদ এ.এম. শ্বাহ মন্তব্য কৰে যে স্বাধীনোত্তৰ কালছোৱাত যৌথ পৰিয়ালৰ সংখ্যা লাহে লাহে বৃদ্ধি পাইছে। তেওঁৰ মতে ইয়াত বৰঙণি যোগোৱা কাৰকটো হৈছে যে ভাৰতত মানুহৰ আয়ুস বাঢ়িছে।

(৯) পিতৃপ্ৰধান সমাজত মানুহজনে কৰ্তৃত্ব আৰু প্ৰাধান্য দেখুৱায় আৰু মাতৃপ্ৰধান সমাজত মহিলাগৰাকীয়ে পৰিয়ালত সিদ্ধান্ত-গঠন প্ৰক্ৰিয়াত প্ৰধান ভূমিকা লয়।

(১০) প্ৰকৃতাৰ্থত বিবাহৰ পদ্ধতিটোয়ে আশ্চৰ্যজনক পৃথক পৃথক প্ৰথা আৰু ৰীতি-নীতি উদঙাই দেখুৱায়।

(১১) একবিবাহে যিকোনো ব্যক্তি এজনক এসময়ত এজন সঙ্গীৰ মাজতে সীমাবদ্ধ কৰি ৰাখে য'ত বহুবিবাহত এজন ব্যক্তিৰ এজনতকৈ বেছি সঙ্গী থাকিব পাৰে।

(১২) বহুতো সমাজত, ব্যক্তি এজনক তেওঁৰ পতি নাইবা পত্নীৰ মৃত্যুৰ পিছত নাইবা নিজৰ পতি নাইবা পত্নীৰ লগত বিচ্ছেদ হোৱাৰ পিছত আকৌ বিবাহপাশত আৱদ্ধ হ'বলৈ অনুমতি দিয়া হয়। এনেকুৱা একগামী বিবাহ পদ্ধতিক ধাৰাবাহিক একবিবাহ বুলি অভিহিত কৰিব পাৰি।

(১৩) অন্তর্বিবাহ আৰু অসবর্ণ বিবাহ কিছুমান বিশেষ সম্পর্কীয় গোটৰ প্ৰসঙ্গত যেনে- বংশ, জাতি নাইবা জাতিগত, পৌত্তলিক নাইবা ধর্মীয় গোট।

(১৪) পৰিয়াল হৈছে আত্মিক সম্পর্কৰ যোগসূত্রেৰে বান্ধ খাই থকা কিছুমান মানুহৰ সমষ্টি।

(১৫) আত্মীয় সম্পর্কৰ যোগসূত্র হৈছে মানুহৰ মাজত গড় লৈ উঠা সম্বন্ধ নাইবা সম্পর্ক যিটো বিবাহ নাইবা বংশসূত্রে স্থাপিত হয়।

(১৬) জন্মসূত্রে যিটো পৰিয়াল হয় তাক আধাৰ পৰিয়াল আৰু যি পৰিয়ালত এজন ব্যক্তিৰ বিয়া হয় তাক জনন পৰিয়াল বুলি কোৱা হয়।

(১৭) তেজৰ সূত্রে সম্পর্ক স্থাপন হোৱা সম্পর্কীয় মানুহবিলাকক গোত্রৰ সম্পর্কীয় বুলি কোৱা হয় আৰু বিবাহৰ সূত্রে সম্বন্ধ স্থাপন হোৱা সম্পর্কীয় মানুহবিলাকক এফিনছ বুলি কোৱা হয়।

(১৮) সকলোবোৰ ধর্মৰে কিছুমান বিশেষ বৈশিষ্ট্য আছে যেনে প্রতীক, ধর্মীয় ক্রিয়া-কলাপ নাইবা উৎসৱ-পার্বনৰ এটা সংহতি; ধর্মীয় বিশ্বাসৰ এটা সম্প্রদায় ইত্যাদি।

(১৯) ৰাজনীতি আৰু ক্ষমতাৰ সৈতে ধর্মৰ এটা অতি নিকট সম্পর্ক আছে।

(২০) ৰাজনৈতিক প্রতিষ্ঠানসমূহে সমাজত ক্ষমতাৰ বিতৰণৰ সৈতে জড়িত।

(২১) যেতিয়া ৰাজনৈতিক প্রতিষ্ঠানসমূহৰ বিশ্লেষণ কৰা হয় তেতিয়া ক্ষমতা আৰু কর্তৃত্ব সবাতোকৈ গুৰুত্বপূর্ণ কথা।

(২২) এখন সমাজৰ নাইবা সংস্কৃতিৰ ভিতৰৰ সুপ্রতিষ্ঠিত গঠন নাইবা ব্যৱস্থা বুলি অর্থনৈতিক প্রতিষ্ঠানসমূহক অভিহিত কৰিব পাৰি। উদাহৰণস্বৰূপে, সম্পত্তিৰ অধিকাৰৰ কাৰণে বিশেষ পদ্ধতি, প্রথাগত উপহাৰ দিয়া ইত্যাদি।

(২৩) এটা সম্প্রদায়ৰ জীৱনধাৰণৰ প্রয়োজনসমূহ যোগান ধৰিবলৈ বুলি অর্থনৈতিক প্রতিষ্ঠানসমূহ বুলি ক'ব পাৰি।

(২৪) ছাহলিনে জনজাতিক বর্ণনা কৰে, "বিভিন্ন অংশ একেলগ হোৱা এটা সংঘ। কেইটামান সমপর্য্যায়ৰ, অনির্ধাৰিত বহুপৰিয়ালৰ গোটৰ দ্বাৰা ই গঠিত য'ত প্রত্যেকটো পৰিয়াল

ইটো আনটোৰ হুবহু নকলঃ জনজাতি এটা হৈছে সমপর্য্যায়ৰ সম্পৰ্কীয় মানুহৰ সংযোজিত গোটৰ স্তুপ।"

(২৫) আন্দ্রে বেটিলিৰ মতে, জনজাতি এটা অতি উত্তমভাৱে বৰ্ণনা কৰা যাব পাৰে যে বিভিন্ন অংশ সংযোজিত হোৱা এটা পদ্ধতি য'ত এটা বিশেষ প্ৰকাৰৰ বংশৰ পদ্ধতি আৰু বংশীয় গঠনৰ অস্তিত্ব বিৰাজ কৰে, যিটো আৰবীয়সকলৰ মাজত আটাইতকৈ বেছি সম্পূৰ্ণভাৱে বিকাশ লাভ কৰিছে, যি কি নহওঁক উপ-ছাহাৰা আফ্রিকা আৰু বাহিৰৰ ঠাইতো এনেকুৱা জনজাতি দেখা যায়।

(২৬) জনজাতীয় সমাজসমূহ বেছিভাগ ৰৰকৈ নিজ জাতিকেন্দ্রিক।

(২৭) ডেভিদ মেনদেলবউমে আঙুলিয়াই দেখুৱায় যে জনজাতীয় সমাজত আত্মিক সম্পৰ্কৰ ভিত্তিত মূখ্য সংযোগ স্থাপন হয়।

(২৮) মেঘালয় ৰাজ্যখন তিনিটা মাতৃবংশীয় জনজাতিৰ ঘৰ। সেইবিলাক হৈছে খাচী, জয়ন্তীয়া আৰু গাৰো।

(২৯) খাচীসকলক আৰু চাৰিটা উপজাতিত বিভক্ত কৰা হৈছে।

(৩০) খাচী পৰিয়ালত থকা আটাইতকৈ সৰু ছোৱালীজনী সম্পত্তিৰ অধিকাৰী হয় যাক কা খাদুহ বুলিও কোৱা হয়।

(৩১) খাচীসকলে বংশ, বাস আৰু উত্তৰাধিকাৰৰ মাতৃবংশীয় নীতি অনুসৰণ কৰে।

(৩২) মাতৃবংশীয় নীতিৰ আধাৰত সমাজত আটাইতকৈ বিশাল ভাগ হৈছে 'কুৰ' নাইবা উপজাতি।

(৩৩) খাচী 'ঈঙ্গ' বা পৰিয়াল খাচী আত্মীয়তাৰ মাজত আটাইতকৈ গুৰুত্বপূৰ্ণ গোট হিচাপে উত্থান লাভ কৰিছে।

(৩৪) উত্তৰ পূৱ ভাৰতীয় জনজাতীসমূহৰ মাজত গাৰো জনজাতি হৈছে এটা বিশাল জনজাতি।

(৩৫) এইদৰে গাৰো সকলৰ মাজত বংশৰ অন্তর্ভুক্তি মাকৰ ওপৰত ভিত্তি কৰি নির্ধাৰিত কৰা হয়।

(৩৬) মাতৃস্থানীয় পদ্ধতিত পদ্ধতিত স্থাবৰ আৰু অস্থাবৰ সম্পত্তি উত্তৰাধিকাৰপ্রাপ্তিৰ অধিকাৰ মহিলাগৰাকীৰ হস্তগত হয়।

(৩৭) খাচী পৰিয়ালত সম্পত্তি আৰু টকাৰ প্রধান (মূখ্য) অধিকাৰী তিৰোতা বুলি বিবেচনা কৰা হয়।

(৩৮) ৰাভাসকলৰ মাজত সম্বন্ধীয় মানুহৰ সাত স্তৰলৈকে বিবাহৰ সম্পৰ্ক নিষিদ্ধ কৰা হৈছে।

(৩৯) লালুঙ সকলৰ মাজত দুই ধৰণৰ বংশ দেখা যায়। ইয়াৰ এটা বংশ প্ৰকৃত মাকৰ পৰা উদ্ভৱ হোৱা সাৰ্বজনীন বংশৰ ফালৰ ভিত্তিত হয় আৰু আনটো আকাৰ আঞ্চলিক দলৰ ফালৰ পৰা গঠন হয় যিটো সাধাৰণতে মুখীয়াল নাইবা বিশাল গাওঁৰ দলৈৰ নেতৃত্বত গঠিত হয়।

(৪০) ডিমাছা জনজাতিয়ে দুটা বংশৰ আনুগত্যতা মানি চলে, প্ৰাথমিক অন্তৰ্ভু ক্তিকৰণ হয় পিতৃবংশত(ছেংফং) আৰু দ্বিতীয় অন্তৰ্ভুক্তিকৰণ হয় মাতৃবংশত (জাদ্দি)।

(৪১) ডিমাছাসকলৰ মাজত দেউতাকৰ সম্পত্তি (স্থাবৰ আৰু অস্থাবৰ দুয়ো) পুতেকসকলে সমভাৱে অধিকাৰ কৰে।

(৪২) মিজো জনজাতিসমূহৰ মাজত, বিবাহত টকা প্ৰদান কৰাৰ প্ৰথাৰ পাদুৰ্ভাৱ আছে, যিয়ে কইনাৰ পৰিয়াললৈ এটা বিশেষ পৰিমাণৰ টকা আদায় দিয়াৰ ব্যৱস্থা কৰে।

(৪৩) মিজোসকলৰ ছয় প্ৰকাৰৰ বিবাহ পদ্ধতি আছে। সেইবোৰ হৈছে-

(ক) লুংভাৰ (খ) লুখুং (গ) চেনডাম (ঘ) ৰিয়াভুক থিংফ'ম

(ঙ) ট'নছাব'প (চ) ফেন

(৪৪) মণিপুৰৰ যৌ জনজাতিয়েও এনেকুৱা নিয়ম মানি চলে যাক কইনাৰ দৰ বুলি অভিহিত কৰিব পাৰি।

(৪৫) যৌ সকলে সাধাৰণতে তেওঁলোকৰ বংশৰ বাহিৰত বিয়া কৰা পছন্দ কৰে (বংশ অসবর্ণ বিবাহ) আৰু তেওঁলোকৰ জনজাতিৰ ভিতৰত বিয়া কৰাটো পছন্দ কৰে (জাতি অন্তর্বিবাহ)।

(৪৬) সাধাৰণতে এইটো দেখা যায় যে যৌ জনজাতিৰ পৰম্পৰাগত বিবাহ পদ্ধতি নিয়ন্ত্রিত হয় হয়তো

(ক) টং মউ (পাতি দিয়া বিবাহ)ৰ দ্বাৰা।

(খ) নেইলা (সম্পৰ্কীয়া তীৰ্যক ভাই-ভনীৰ বিবাহ) ৰ দ্বাৰা।

(গ) পলাইকৰা বিয়াৰ দ্বাৰা।

ওপৰৰ (ক) আৰু (খ) বিবাহ পদ্ধতি আনুষ্ঠানিক কাৰ্যপ্ৰণালীৰে বিবাহৰ কাৰ্য সম্পাদন কৰে যাৰ অবিহনে কোনো বিয়াৰ অনুমতি নাই।

(৪৭) অৰুণাচল প্ৰদেশত বিবাহৰ তিনি ধৰণৰ স্পষ্ট গঠন আছে যিবিলাক সমাজত পালন কৰা হয়। প্ৰথম প্ৰকাৰত বিবাহ কাৰ্য বুজা-পৰা নাইবা আলাপ-আলোচনা নাইবা আৰ লং আৰ ৰ জৰিয়তে সম্পাদন কৰা হয়। দ্বিতীয় আৰু তৃতীয় প্ৰকাৰৰ বিবাহ কাৰ্য ক্ৰমে

পলায়ন নাই থোক নো হো চাই ৰ দ্বাৰা কৰা বিবাহ আৰু ধৰি আনি কৰা বিবাহ নাইবা আন শিঅ আৱ।

(৪৮) অৰুণাচল প্ৰদেশত বন্দোৱস্ত আকাৰৰ বিবাহ এজন মধ্যস্থতাকাৰীৰ দ্বাৰা তত্ত্বাৱধায়ন কৰা হয় যাক চৌ পাচাউ বুলি কোৱা হয়।

(৪৯) অৰুণাচল প্ৰদেশত দৰা আৰু কইনাৰ আনুষ্ঠানিক বিবাহ হিচাপে হেইজাপ'ট অনুষ্ঠানে বুজায়।

(৫০) কন্যাক মুখীয়ালসকলৰ বাহিৰে একে বংশৰ জনজাতিবিলাকে বিবাহত নোসোমায়।

(৫১) কৃষি হৈছে খাচীসকলৰ প্ৰধান জীৱন নিৰ্বাহৰ কাৰ্য্য।

(৫২) কৃষিৰ কাৰণে খাচীসকলে ব্যৱহাৰ কৰা চাৰি প্ৰকাৰৰ ভূমি হৈছে- হাবি; সেমেকা ধাননি পথাৰ (হালি নাইবা পিনথ'ৰ), ঘৰৰ ভিটামাটি (কা'ডিউ কাইপেৰ); আৰু ওখ ঘাঁহনি পথাৰ (কা ৰি লুম নাইবা কা ৰি ফ্লাং)।

(৫৩) খাচীসকলৰ পূৰ্বপুৰুষৰ মাটি মহিলাৰ অধিকৃত হয়।

(৫৪) তিনি ধৰণৰ আইনৰ বিধি যাৰ আধাৰত গাৰো সমাজৰ শাসন চলে সেয়া হৈছে- আছিমালজা, দাকমালজা, আৰু নিমা।

(৫৫) প্ৰত্যেক গাৰো পৰিয়াল এটা স্বয়ংসম্পূৰ্ণ অৰ্থনৈতিক গোট হিচাপে কাম কৰে।

(৫৬) মণিপুৰত চঙ্মা টা অনুসূচিত জনজাতি আছে।

(৫৭) ফাকাইল জনজাতিৰ মাজত কিছুমান উপ-জাতি আছে যেনে, থেমাঙ, মান, হাই থুমটেন ইত্যাদি।



৬.১৩ আৰ্হি প্ৰশ্ন

(১) সামাজিক প্ৰতিষ্ঠান হিচাপে পৰিয়ালৰ ওপৰত এটি টোকা লিখক।

(২) মাতৃবংশীয় আৰু মাতৃপ্ৰধান পৰিয়ালৰ মাজৰ পাৰ্থক্য ব্যাখ্যা কৰক।

(৩) সামাজিক প্ৰতিষ্ঠান হিচাপে ধৰ্মক ব্যাখ্যা কৰক।

(৪) বিবাহৰ প্ৰতিষ্ঠানৰ ওপৰত এটি টোকা লিখক।

(৫) মেঘালয়ৰ খাচী আৰু গাৰো জনজাতিৰ পৰিয়াল ব্যৱস্থা আৰু বিবাহৰ প্ৰকাৰসমূহ বৰ্ণনা কৰক।

(৬) মিজোসকলৰ মাজত পালন কৰা বিয়াৰ প্ৰকাৰসমূহৰ বৰ্ণনা কৰক।

(৭) খাচীসকলৰ অৰ্থব্যৱস্থাৰ ওপৰত এটি টোকা লিখক।

*** ***** ***